Shri Sarat Chandra Sinha, (Chief Minister) :— As far as I know no prohibitory order was issued against attending the prayer. Prohibitory order was issued to restrict, to prohibit construction of a mosque and that the order has lapsed and permission has been given to construct the mosque.

Shri Badan Chandra Talukdar :— Whether the prohibitory order was only for construction or it was mentioned that five or more persons cannot assemble there ?

Shri Sarat Chandra Sinha, (Chief Minister) :— It is about the construction, Sir.

*Mr. Speaker :— I have got an announcement to make. I hereby infrom the House that I have been intimated in writing by Sharbashri Balabhadra Das and Kabir Chandra Roy Pradhani now functioning as independent members that they have joined the Janata Party Group of Assam Legislative Assembly with effect from 6.5.77.

I have received letters yesterday afternoon from

*Speech not correted.

Shrimati Satyabati Goswami and Sharbashri Santiranjan Das Gupta, Kandarpa Kumar Das, Bahadur Basuma ari, Abdul Hannan Choudhury Sai Sai Terang and Biren Ram Phookan members belonging to Congress Party intimating me that they have resigned from the Primary membership of All India Congress Committee and also from the Assam Congress Legislature Pary with effect from 6.5 77. Out of these seven members Shri Santiranjan Das Gupta has joined the Janata Party Group of Assam Legislative Assembly and the other six members will function as independent members and they have been allotted separate seats in the House.

To day also I have received letters from Sharbashri Atul Chandra Saikia, Mohitosh Purkayastha and Puspadhar Chaliha members belonging to Congress Party intimating me that they have resigned from the Primary membership of All India Congress Committee and also from the Assam Congress Legislature Party with effect from today the 7th May, 1977. While Shri Mohitosh Purkayastha has joined the Janata Party Group of Assm Legislative Assembly, other members viz. Shri Atul Chandra Saikia and Shri Puspadhar Chaliha will function as indenpendent members. This is for information of the House.

## Miscellaneous

*Shri Grourisankar Bhattacharyya :— Sir, may I make a submission with regard to the business of the House. It

*Speech not corrected

was originally arranged notified that the business of the Assembly would continue upto 16th May. Latter on it was considered by you Sir, in consultation with the Busineess Advisory Committee you came to the conclusion that the business of the House might be concluded by 9th May. Now however it is seen that some very important business is pending. for example, Shri Lakshmi Saikia, MLA, hon'ble member Shri Saikia, he has given notice of a very important motion. Similarly, Sarvashri Soneswar Bora and Nagendra Barua, they have given notice of another important motion and you have been pleased to admit these motions. There are also pending resolutions and in the mean time private members business which according to the Rules of Procedure and Conduct of Business of this House ought to have got a few more days, these have been curtailed. In view of the fact we feel that you may be pleased to reconsider your decision, Sir, and may be pleased in consultation with the Business Advisory Committee if you think so proper to extend the business of the House by two or three days atleast so that these important matters which are already in the agenda may be discussed on the floor of the House. This is my submission.

Shri Mal Chandra Pegu : Sir, as per the programme already announced the respective MLAs have arranged meetings in their areas. If the days are extended then their enagements will suffer.

*Shri Syed Ahmed Ali, (Minister) :— According to our decision, the Busiaess Advisory Committee at that time, we

*Speech not corrected

have already decided to continue till 9th of this month. So, Sir, I do not think there is any justification for the House to continue.

*Shri Grourisankar Bhattacharyya :— If these business are completed within 9th then that is alrigiht but I have placed before you, Sir, these new factors that is to say this extraordinay important motions, in particular notified by hon'ble member Shri Saikia and hon'ble members Shri Bora and Shri Barua and I am afraid that these matters may not be completed within the 9th of this month. Therefore I appeal to you that inspite of very important business that some of the hon'ble members may have outside, the business of the House may please be considered as most important and in order to finish the business on the agenda I beg to submit that you may in consultation with the Business Advi ry Committee, if you think so proper consider the exention of the business of the House and may advise the Governor not to prorogue the House by 9th and I do not know whether you will be pleased to consider the extension for two days or three days or more but at any rate the business on the agenda should be completed that is my submission and we cannot run away leaving the business unfinished.

Mr. Speaker : — Generally I believe that in such cases both parties should agree. They want extension of the House if the Government side agrees.

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰী পক্ষৰ মাননীয় সদস্য সকলক পতিয়ণ নিয়াবলৈ হুআযাৰ কথা কব বিচাৰিছো।

*Speech not corrected

ৰাজ্যখনত বৰ্ত্তমান দুটা বিষয় অত্যন্ত গুৰুত্বপূৰ্ণ হিচাবে দেখা দিছে। এই দুয়োটাৰে ওপৰত দুটা মোচন আছে।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুৰী :— পইণ্ট অব অৰ্ডাৰ।

মাননীয় অধ্যক্ষ :— বলুন।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়, একটা পয়েণ্ট অব অর্ডার। স্যার, দুই পক্ষর মতামত নিয়েই এইমাত্র কার্যক্রম সহ ঠিক করা হয়েছিল। তাহাই বিধান সভার মতামত বলে, ঘোষনা করার পর কোন মাননীয় সদস্য পুনঃ সমালোচনা করিতে পারেন না। আজ দুইদিন যাবৎ কোন কোন মাননীয় সদস্যর আপনার সিদ্ধান্তের পুনঃ আলোচনা পরিলক্ষিত হইতেছে বলে, আমি point of order উত্থাপন করছি।

শ্ৰীসোনেশ্বৰ বৰা :— এই দুয়োটা বিষয়ৰ ওপৰত বিশেষ মোচন অনা হৈছে। এই অৱস্থাত এই কথাটো আৰু চৰকাৰ পক্ষৰ বা বিপক্ষ দলৰ প্ৰশ্ন হৈ থকা নাই। এইটো প্ৰশ্ন হৈছে সামগ্ৰিক ভাৱে ৰাজ্যখনত যোৱা এমাহ ধৰি হোৱা ধুমুহাৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ ওপৰত আলোচনা কৰি ৰাজ্যখনৰ সামগ্ৰিক বুজ লোৱাৰ কাৰণে মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই এটা বিশেষ মোচন আনিছে আৰু আনটো মই আৰু মাননীয় সদস্য শ্ৰীনগেন বৰুৱা ডাঙৰীয়াই আনিছো। প্ৰথমটোত ৰাজ্যখনত ধুমুহাৰ ফলত কিমান ক্ষয়-ক্ষতি হৈছে ৰাইজৰ সুখ সুবিধাৰ ব্যৱস্থা কৰিব পৰা যায় কেনেকৈ. কি উপায় উলিয়াব পাৰি সেই সম্পৰ্কে আলোচনা কৰাৰ বাবে। দ্বিতীয়টোত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ সংক্ৰান্তত তেখেতে দিয়া বিবৃতি আৰু সেই সম্পৰ্কত লোৱা ব্যৱস্থাৰ আলোচনাৰ কথা। এই কৰ্ম্মচাৰীসকলৰ এই সমস্যা মীমাংসা কৰা নিতান্ত আমাৰ সকলোৰে কৰ্ত্তব্য আছে। তেখেতসকলে যোৱা পাচ তাৰিখে যে প্ৰতীক ধৰ্ম্মঘট কাৰছে তাৰ পিচত ৰাজ্যজুৰি যি সৰ্ব্বাত্মক ধৰ্ম্মঘট কৰাৰ ব্যৱস্থা লৈছে ১৮ তাৰিখৰ পৰা যদি আমাৰ কোনেও সেই ধৰ্ম্মঘটত হস্তক্ষেপ কৰিব নোৱাৰে, এই বিধান সভাৰ অধিবেশন বহি থকা অৱস্থাতো যদি তেনে এটা গুৰুত্বপূৰ্ণ কথা গা এৰাই দি যোৱা হয় সেইটো কেতিয়াও ক্ষমাযুক্ত হব নোৱাৰে। ৰাজ্যখনৰ প্ৰতিনিধি সকলে দেশখনৰ সমৃদ্ধি শান্তি আৰু সৰ্ব্বতোপ্ৰকাৰ কল্যাণৰ

কাৰণে চিন্তা কৰি সেই অনুযায়ী কাম কৰিব লাগে । তাৰ ঠাইত পলায়ন বাদী মনোভাব লৈ পলায়ন কৰা হব যদিহে এই বিষয়টো আলোচনা কৰা নহয় । আমি নিশ্চয় পলায়ন কৰিব নোৱাৰো । দুই এদিন বিধান সভাৰ কাৰ্য্যকাল বঢ়াই দি হলেও ধীৰে সুস্থিৰে এই কথা আলোচনা কৰি বিধি সন্মত পন্থা উলিয়াব পাৰি । আমাৰ ৰাজ্যখন নিৰাময় আৰু শান্তি শৃংখলা অটুট ৰখাৰ কাৰণে এই আলোচনা কৰিব লাগে । অৱশ্যে এইটো ঠিক যে মাননীয় সদস্য সকলে অন্যান্য প্ৰগ্ৰ্যাম কৰিব পাৰে কিন্তু আমাৰ কালৰ পৰাও প্ৰগ্ৰাম ঠিক কৰা হৈছে নানান ঠাইত কিন্তু ৰাজ্যখনৰ এই গুৰুত্বপূৰ্ণ আলোচনাতকৈ অন্য ঠাইৰ প্ৰগ্ৰাম বেছি ডাঙৰ নহয় । গতিকে সেই কালৰ পৰা চিন্তাকৰি আৰু দুই এদিন বহি হলেও এই কথা দুটা আলোচনা হব লাগে ।

মাননীয় অধ্যক্ষ :— এইটো ইয়াতে আলোচনা নকৰি দুয়োটা পাৰ্টিৰ হুইপ সকলে আলোচনা কৰক আৰু পিচত মোক জনাওক ।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— অধ্যক্ষ ডাঙৰীয়া, এটা কথা অনুৰোধ কৰিব খুজিছো যে আমাৰ এই বৰ্ত্তমান বিধান সভাৰ কাৰ্য্যসূচীলৈ বিজিনেচ এডভাইচৰি কমিটি তিনি চাৰি বাৰ বহি নানান অদল বদল কৰি বৰ্ত্তমানৰ কাৰ্য্যসূচী ঠিক কৰা হৈছে যেন তাৰিখৰ ভিতৰত শেষ কৰা হব । যি কেইটা বিষয়ৰ কথা কৈছে সেইটো গুৰুত্বপূৰ্ণ বুলি অস্বীকাৰ নকৰো কিন্তু যিহেতু সদনৰ এটা সময় ঠিক কৰা হৈছে আৰু সেই মতে প্ৰত্যেকে বিভিন্ন সময়ৰ কাম কাজ বিভিন্ন ভাৱে ব্যৱস্থা কৰিছে । এতিয়া শেষ মুহূৰ্ত্তত যদি বৃদ্ধি কৰি দিয়া হয় অসুবিধা হব কিয়নো ইতিমধ্যে নানান ঠাইত আমাৰ কালৰ পৰাও প্ৰগ্ৰাম ঠিক কৰা হৈছে ।

শ্ৰীদেবেন্দ্ৰ নাথ বৰা :— অধ্যক্ষ মহোদয়, মই শ্ৰীগগৈ ডাঙৰীয়াৰ লগত এক-মত । আমাৰ পাৰ্টিৰ কথা হ'ল যে কৰ্ম্মচাৰী সকলৰ ডি এ লৈ যিটো আলো-চনা তুলিছে সেইটো চৰকাৰী পক্ষৰ পৰা আলোচনাৰ কাৰণে এইটো সদনৰ ভিতৰত নহলেও বাহিৰত হলেও বিৰোধীদলৰ সদস্যসকলৰ লগতো আলোচনা কৰিব পাৰি ।

শ্ৰীগোৰীশংকৰ ভট্টাচাৰ্য্য :— অধ্যক্ষ মহোদয়, এইটো কাৰো ঘৰুৱা কথা

নহয় বা বিয়নি মেল নহয়। এইটো ৰাইজৰ সমূহীয়া স্বাৰ্থৰ কথা। কাৰ কি মনোভাৱ সেইটো ৰাজহুৱা ভাৱে ব্যক্ত কৰিব লাগে, ৰাজহুৱা ভাৱে সদনত আলোচনা হব লাগে। এইটো ঘৰুৱা মেল বা বিয়নি মেল অথবা ফুচফাচ মেল হব নোৱাৰে। গুৰুত্বপূৰ্ণ কথা। যদি কোনো ব্যক্তিগত মানুহে টকা পইচা মিচ্এপ্ৰোপ্ৰীয়েচন কৰে তেনেহলে ক্ৰিমিনেল হয়, আনকি তেওঁ ফাটেক খাটিবলগীয়া হয়। আমাৰ কৰ্ম্মচাৰীসকলৰ ডি এৰ টকাও মিচ্এপ্ৰোপ্ৰীয়েচন কৰা হৈছে চৰকাৰী ভাৱে কিন্তু চৰকাৰ এটাকতো আৰু জেল ফাটেক দিয়া নাযায়, কিন্তু মোৰ ক্ষুদ্ৰ মস্তিস্কেৰে এই গুৰুত্বপূৰ্ণ বিষয় দুটাৰ এটাকো কম গুৰুত্বপূৰ্ণ বুলি ভাবিব নোৱাৰো। আনটো বিষয় হৈছে ধুমুহা বতাহত বহুত ঘৰ, সা-সম্পত্তি নষ্ট হৈছে। বহুতে কৈছে অমুকৰ নাম নাই, তমুকৰ নাম উঠা নাই। এই কথাটোও সৰু বুলি কব নোৱাৰো। শ্ৰীগগৈ ডাঙৰীয়াই কৈছে যে চাৰি বাৰ ইতিমধ্যে কমিটি বহি গৈছে। আৰু এবাৰ বহিবও পাৰে তাত কি আপত্তি আছে? বিধান সভা বহিব পৰা যায় নে নাযায়, সময় বঢ়োৱা যায় নে নাযায় সেই কথাটো আৰু এবাৰ বহি আলোচনা কৰাত কি অসুবিধা আছে? কিন্তু এইটো ঠিক যে ই ঘৰুৱা কথা নহয়, বিয়নি মেল নহয় বা ফাচফুচীয়া কথা নহয়। এইটো ৰাজহুৱা কথা আৰু ই স্পষ্ট হোৱা উচিত।

শ্ৰীচৈয়দ আহমেদ আলী :-- এই গুৰুত্বপূৰ্ণ কথা কেইটা আলোচনাৰ দিন বঢ়াই নিদিয়াকে আলোচনা কৰিব পাৰি নেকি। দুই এক ঘণ্টা সময় বঢ়াই দি সোমবাৰে কৰিব পাৰি নেকি?

মাননীয় অধ্যক্ষ :-- সোমবাৰে বহিব নেকি বোছকৈ? দুই পক্ষৰ দুইপে আলোচনা কৰাৰ পিচত মোক জনাব।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা :-- মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যোৱা ৬ মে তাৰিখৰ 'দৈনিক অসম' বাতৰি কাকতত প্ৰকাশিত 'শিলঘাট মৰাপাট কৰ্ম্মচাৰীৰ ধৰ্ম্মঘট' শিৰোণামাৰ বাতৰিৰ সন্দৰ্ভত মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ বিচাৰিছো। ১৯৬৫ চনত এই মিল প্ৰতিস্থা হয়। তেতিয়াৰে পৰা বিভিন্ন খেলিমেলি হৈ আছে। সাতাইশ তাৰিখৰ পৰা কৰ্ম্মচাৰী সকলে ধৰ্ম্মঘট কৰিছে।

মাননীয় অধ্যক্ষ :— কাগজৰ তাৰিখটো দি দৃষ্টি আকৰ্ষণ কৰক ।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা :— দুটামান কথা কব খুজিছো ।

মাননীয় অধ্যক্ষ :— নালাগে । কেৱল তাৰিখটো উল্লেখ কৰক ।

শ্ৰীৰামচন্দ্ৰ শৰ্ম্মা :— ৬ মে দৈনিক অসম ।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে ভেটাৰীনেৰী মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । যোৱা ৪ তাৰিখৰ পৰা ভেটাৰীনেৰী কলেজৰ ছাত্ৰ সকলে ষ্ট্ৰাইক কৰি আছে । ইয়াৰ আগতেও এই বিষয়ে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিছিলো । ১০—১৫ দিন মান আগতে ছাত্ৰ কলে দাবী দিয়া সত্বেও দাবী পূৰণ কৰা নাই । আলটিমেটাম দিয়া সত্বেও দাবী পূৰণ কৰা নাই । অকল এইটোৱেই নহয়, এই দাবী ১৯৭৪ চনৰ পৰা আৰম্ভ হৈছে । ছাত্ৰ সকলৰ ফালৰ পৰা আমাৰ ফালৰ ডেপুটেশ্যান দিয়া হৈছে । কৰিম, হব বুলি কোৱাৰ বাহিৰে আজিলৈকে একো পোৱা নাই । ছাত্ৰ সকলৰ এই আন্দোলন ন্যায়সঙ্গত । তেওঁলোকে কি কি দাবী কৰিছে জনাব লাগে । ছাত্ৰ সকলৰ কি দাবী বিলাক মানি লব পাৰে স্মাৰক পত্ৰ সম্পৰ্কত কি ব্যৱস্থা লৈছে জনাব লাগে ।

মাননীয় অধ্যক্ষ :— পিচত দিব ।

Shri Badan Chandra Talukdar :— But Sir, this is a matter on which the State Govt. officials are involved—the high-ups of the State Govt. officials are involved.

মাননীয় অধ্যক্ষ :— নিউজটো ৰেফাৰ কৰক

Shri Badan Chandra Talukdar :— Mr. Speaker Sir, in today's Assam Tribune a news item appeared under the caption 'the A. I. R. breaks the tradition". There is a news regarding the statement made by Sri Harinath, the Joint Convenor of the Govt. employees' action committee which was broadcast the otherday and it was adversely commented upon by some high-ups of the State Govt. administration. Not only that Sir, some threatening words

have been used by high-officials of the Govt. The State Govt. cannot do anything with the A. I. R. and therefore, I draw the attention of the House to this.

Shri Sarat Chandra Sinha (Chief Minister) :— I have nothing to say.

## Matter Under Rule 301

শ্ৰীসোণেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নিয়ম অনুসৰি ৰাজ্যখনৰ অত্যন্ত আৱশ্যকীয় বিষয়টো সদনত আলোচনা হবৰ অৰ্থে আৰু উত্তৰ পাবৰ অৰ্থে সদনত উত্থাপন কৰিলো। এই বিষয়টো যোৱা ১৬—৪—৭৭ তাৰিখে প্ৰকাশিত দৈনিক জনমভূমি বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত হৈছে। প্ৰকাশিত বাতৰিটো এই 'কৃষি বিশ্ববিদ্যালয়ত ওপৰ গধুৰ পদবীৰ সৃষ্টি।' উল্লেখিত বাতৰিটোৱে ৰাজ্যখনত এক চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাজ্যখনৰ অত্যন্ত আৱশ্যকীয় বিষয়টো মই সদনত উত্থাপন কৰিলো।

*Shri Chatra Sing Teron (Minister):—Mr Speaker Sir, the attention of the Govt. has been drawn to the news item alleging creation of top-heavy posts in the Assam Agricultural University published in the Dainik Janambhumi dated 16.4 77. It has been ascertained from the University that in the budget for 1976-77 there was a provision for creation of 203 additional posts in the various Deptts. and Branches to meet the increasing requirements. While approving this provision in the budget the Board of Management decided that before actually creating the posts against this provision, a Committee should, critically exam-

*Speech not corrected

ine the existing staff position and the additional requirement. The Committee consisted of the Vice-Chancellor, the Secretary, Agri. ect. who is also a Member of the Board and the Comptroller of the University The Committee had examined the staff position in the various departments etc. and had also consulted the heads of offices and the Deans and other Senior Professors and Officers. On the basis of the analysis made by the Committee, as against 203 additional posts provided for in the budget, a recommendation was made for creation of 106 new posts. The Committee's recommendations were placed before the Board of management and these were approved. Amongst other posts the Committee's recommendations included two administrative posts also. These are — one post of Secretary to the Vice Chancellor in the scale of Rs, 900-1525/—and another post of Planning and Evaluation Officer in the same scale of pay of Rs. 900 1425/—. The post of Planning and Evaluation Officer was however created on the condition that the existing post of Planning Officer in the scale of Rs. 550—1250/- is abolished. The information given in the news item that 3 new posts namely post of Evaluation Officer, Secretary to Vice-Chancellor and Private Secretary to Vice-Chancellor is not entirely correct. As stated above the post of Planning and Evaluation Officer has been created in lieu of the existing post of Planning Officer. The post of P.S. to Vice-chancellor is also not new. There was already a post of P.A. to the Vice-Chancellor. This post was redesignated as Private Secretary to V.C. and

a special/pay of Rs. 50/—p.m. was attached to it in consideration of the duties and responsibilities involved in it.

It will thus appear that as against five existing posts of officers in the Office of the Registrar, there are new six posts and not 8 as stated in the news item. It is also not correct as stated in the news item that there are only 11 persons in the ministerial staff of the Office of the Registrar. The number of staff in his office at present is 26.

In view of the position explained it would appear that it would not be correct to say that the office has been made top heavy by creation of unnecessary posts with higher pay scales.

(Mr Speaker vacated the Chair and Mr Dy. Speaker occupied the Chair. Time 11.29 a.m.)

## Private Members' Resolution

শ্ৰীৰাম চন্দ্ৰ শৰ্ম্মা :— উপাধ্যক্ষ মহোদয়, মই ইয়াৰ আগতেও কৈছিলো।

"বিদ্যা বন্ধু জনো বিদেশ গমনে,
বিদ্যা পৰম দৈৱতম।
বিদ্যা ৰাজসু পূজিতা নতু ধনম,
বিদ্যা বিহীনম পশু।"

বাকী খিনিৰ অৰ্থ কৈছো। ইয়াৰ অৰ্থও বুজি পাইছে নিশ্চয়। শতকৰা ৭৫ ভাগ মানুহক শিক্ষাৰ পৰা বঞ্চিত কৰি পশু তুল্য অৱস্থালৈ নিয়াৰ চেষ্টা কৰা হৈছে। চৰকাৰে এতিয়ালৈকে সেই খিনি মানুহক সুশিক্ষা দিবলৈ ঠিক কৰা নাই। কালি প্ৰশ্নোত্তৰ কালত মাননীয় সদস্য কেইগৰাকীয়ে অভিযোগ তুলিছে কৰবাত এজন ছাত্ৰ আছে দুজন শিক্ষক দিছে। কৰবাত

একেজন শিক্ষকে তুখন স্কুলত পঢ়াব লগা হৈছে। মাতে মাত্র এটকা কন্টিজেন্সী দিয়ে। তুজন শিক্ষকৰ মাজত এখন চকী আছে। এজন শিক্ষক থিয় হৈ থাকে আৰু সিজন বাহিৰলৈ গলে একন বহে। শ্ৰীশৰা ডাঙৰীয়াই ১৪ বছৰ বয়সলৈকে বিনামূলীয়া শিক্ষা দিবৰ কাৰণে যি প্ৰস্তাৱ আনিছে, এইটো উচিত সময়ত অনা হৈছে। চৰকাৰে অনা একো কৰিব নোৱাৰিলেও ১৪ বছৰ বয়সলৈকে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰি দিলে ৰাইজৰ উপকাৰ কৰা হ'ব। আমাৰ এই শিক্ষা ব্যৱস্থাটো পৰিবহন বাচৰ ফাৰ্ষ্ট এইড্ বক্সৰ নিচিনা হৈছে। কাৰণ ফাৰ্ষ্ট এইড্ বক্সৰ ভিতৰত ভাঙৰ চিলিম গুলায়। চৰকাৰে যি বিলাক প্ৰতিশ্ৰুতি দিছিল সেই বিলাক কাৰ্য কৰী কৰিবলৈ যাতে ভগবানে সুমতি দিয়ে তাৰ বাবে আশা ৰাখিছো। তেতিয়া অন্তত চৰকাৰৰ নাম থাকিব।

'মানুষ মৰিয়া যায়
বেখে যায় স্মৃতি,
গোলাপ শুকায় যায়,
বেখে যায় প্ৰীতি।'

এই স্মৃতি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাখক।

'তালুত চুলি নাই তাকে বোলে টপা,
কথাৰ সাচ নাই তাকে বোলে লপা।

চৰকাৰৰো এই অৱস্থা হৈছে অৰ্থৎ লপাৰ দৰে। চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰিব পৰা নাই। গতিকে প্ৰতিশ্ৰুতি ৰক্ষা কৰিবৰ কাৰণে বিনামূলীয়া শিক্ষা ১৪ বছৰ বয়সলৈকে কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

*শ্ৰীঘনকান্ত বড়ো :— উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীশৰা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি দুষাৰ কথা কবলৈ ওলাইছো। ট্ৰাইবেল মানুহ হিচাবে আৰু মোৰ সমষ্টিটো অতি পিচপৰা হিচাবে আমাৰ কাৰণে এই প্ৰস্তাৱটো সময়োপযোগী আৰু নিতান্ত প্ৰয়োজনীয় হৈছে বুলি ভাবো। মোৰ সমষ্টিত দেখিবলৈ পাইছো যে লৰা ছোৱালী স্কুললৈ যাব লাগে নে নেলাগে আৰু স্কুললৈ গৈছে নে নাই-ইত্যাদি কথাৰ ভু আমাৰ পিচপৰা অঞ্চলৰ অভিভাবক সকলে কবকে নোৱাৰে। স্কুল আছে কিন্তু

*Speech not corrected

সেই স্কুললৈ যে লৰাছোৱালী পঠাব লাগে সেইটো অভিভাবকে গমকে নাপায়। কেতিয়াবা দুই এটা লৰাছোৱালী যায়ঃ কিন্তু সেইবিলাকো বৰষুণ হলেই স্কুললৈ যাবলৈ এলাহ কৰে আৰু গৰুম'হ আদি ৰখিবলৈ যায়। এইদৰে বেছিভাগ অভিভাবকে এইবিলাক কামত লৰাছোৱালীবিলাকক নিয়োগ কৰে। যাৰ ফলত পৰীক্ষা হলে পৰীক্ষা ভাল কৰিব লাগে-এই কথা গমকে নাপায়-বৰঞ্চ পৰীক্ষা দিবলৈকে লৰাছোৱালী নাযায়। এইদৰে তেওঁলোকৰ গোটেই পঢ়াৰ সময়খিনি পাৰ হৈ যায়। সেইকাৰণে এই প্ৰস্তাৱটো পিচপৰা ৰাইজৰ বাবে নিতান্ত প্ৰয়োজনীয় বুলি মই ভাবো। গতিকে চৰকাৰে এই প্ৰস্তাৱটো গৃহীত কৰিব লাগে।

এতিয়া আমাৰ শিক্ষাৰ শিতানত আৰু প্ৰশিক্ষণৰ শিতানত শিক্ষানুষ্ঠানকে আদি কৰি যিখিনি উন্নয়ণ কৰিবলৈ ওলাইছে-সেইবিলাক এই পিচপৰা অঞ্চলবিলাকত বেছি প্ৰয়োজনীয় আছিল। আজি আমাৰ চৰকাৰে কৈছে পিচপৰা অঞ্চলবিলাক উন্নতি কৰিবলৈ বাতৰি কাকত, ৰেডিঅ' আৰু অন্যান্য মেল-মিটিংৰ যোগোদ ব্যৱস্থা গ্ৰহণ কৰা বুলি কয়-কিন্তু বাস্তৱ ক্ষেত্ৰত য'ত সেই বিলাকত অত্যন্ত প্ৰয়োজন-তাত একোৱেই হোৱা নাই। আমাৰ ৰাজ্যত বহুতো স্কুল আছে যিবিলাক স্কুলৰ অৱস্থা ইমান শোচনীয় যে সকলোবিলাক ধুমুহাত ভাচি-চিঙি চুৰমাৰ হৈ গৈছে কিন্তু আজিলৈকে সেইবিলাক মেৰামতি কৰাৰ কোনো প্ৰস্তুতি চলোৱা নাই বা সক্ৰীয় ব্যৱস্থা লোৱা নাই। পিচপৰা ৰাইজ অতি কৈ দুখীয়া-তেওঁলোকৰ মেৰামতি কৰিবৰ বাবে সম্বল নাই, টকা-পইচা নাই-গতিকে কোনোবা এটা চ'ৰাঘৰতে ক্লাচ কৰি আছে। সেইবিলাক স্কুল যদি সোনকালে মেৰামতি কৰিব নোৱাৰে তেতিয়াহলে চৰকাৰে 14 বছৰ বয়সলৈকে বাধ্যতামূলক শিক্ষা দিব লাগে বুলি কাগজে পত্ৰে আইন পাছ কৰিলেও কোনো কামত নাহিব। গতিকে মাননীয সদস্য শ্ৰীবৰা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে-সেইটো সদনত গ্ৰহণ কৰি ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা অতি সোনকালে ললে ভাল হয় আৰু পিচপৰা ৰাইজক শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট পৰিমানে আগবঢ়াই নিব।

আমাৰ শ্ৰীতালুকদাৰ যেতিয়া শিক্ষাৰ শিতানত মন্ত্ৰী হৈ আছিল তেতিয়া এল, পি স্কুল বিলাকে কিছু টকা পইচা পাইছিল-স্কুলখন চলাবৰ বাবে। কিন্তু আজি দুবছৰ ধৰি কোনো অনুদানেই পোৱা নাই-যাৰ ফলত

স্কুলৰ অৱস্থা খহি খহি নাইকীয়া হৈ গৈছে। দুই এখন স্কুল মোৰ সমষ্টিত আছে যে তাত স্কুল ঘৰ আছে কিন্তু লৰাছোৱালী ইমান বেছি যে শিক্ষকে ক্লাচ কৰাৰ অসুবিধাত পৰি শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়কে ঘূৰাই পঠিয়াব লগীয়া হয়। গতিকে সেইবিলাক স্কুলৰ বিল্ডিং যদি বঢ়াই নিদিয়ে তেতিয়াহলে লৰাছোৱালীবোৰ সদায়েই শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব। গতিকে এইবিলাক সমস্যা সমাধান কৰিবৰ কাৰণে চৰকাৰে উত্থাপিত প্ৰস্তাৱটো অনতিপলমে গ্ৰহণ কৰিব লাগে। কাৰণ ১৪ বছৰ বয়সলৈকে আমাৰ পিচ-পৰা অঞ্চলবিলাকত বিনামূলীয়া শিক্ষা দিয়াতো অতি প্ৰয়োজনীয়। কাৰণ পিচপৰা অঞ্চল বিলাকত যদি সেইটো নহয় তেতিয়াহলে এই অঞ্চলবিলাক সদায়েই পিচপৰি থাকিব। সেইকাৰণে এই প্ৰস্তাৱটো অতি সময়োপযোগী হৈছে বুলি মই ভাবিছো। গতিকে আমি আশা ৰাখিছো-এইটো বিৰোধী পক্ষই দিয়া প্ৰস্তাৱ বুলি বিৰোধীতা কৰিব নালাগে-কাৰণ দেশৰ স্বাৰ্থৰ খাতিৰত এইঁ প্ৰস্তাৱটো সকলোৱে সমৰ্থন কৰা উচিত। ইয়াকে কৈ মোৰ বক্তব্য সামৰিলোঁ।

শ্ৰীজানকী নাথ সন্দিকৈ :— উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ দেশৰ কিমান লৰাছোৱালীয়ে বৰ্ত্তমান কোনো লিখা-পঢ়া নিশিকাকৈ জীৱন যাত্ৰা কৰি আহিছে। এই লিখা-পঢা শিক্ষা দিবৰ কাৰণে আজি আমাৰ চৰকাৰে অজস্ৰ টকা পইচা খৰচ কৰিছে। কিন্তু এইখিনি প্ৰদানৰ ক্ষেত্ৰত ভালকৈ বা অতি শৃংখলাবদ্ধভাৱে সমস্যাবিলাক সমাধান নকৰাৰ কাৰণে বহুতো অঞ্চলৰ লৰা-ছোৱালীবোৰে শিক্ষা পাবৰ কাৰণে কোনো সুবিধাই পোৱা নাই। তাৰোপৰি যিবোৰৰ যোগেদি যেনেদৰে সুবিধা দিব লাগিছিল-সেইবিলাকৰ প্ৰতি আমাৰ চৰকাৰে আওকান কৰি থকাৰ ফলত আজি সকলো সুবিধাৰ পৰা বঞ্চিত হৈ আছে আৰু যিবোৰ জেগাত সাধাৰণতে ৰাইজ সজাগ, শিক্ষিত সেই অঞ্চল বিলাকতেই চৰকাৰে বৰ বেছি অনুদান দিয়ে আৰু সাহায্য পায়। সেইকাৰণে আমাৰ লক্ষ্য যে বিশেষকৈ চৰ অঞ্চলৰ লৰাছোৱালী, পিচপৰা অঞ্চলৰ লৰাছোৱালী, চাহবাগিচা আদি অঞ্চলবিলাকত কাম কৰি থকা লোকৰ লৰাছোৱালী আদি সকলো লৰাছোৱালীয়ে যাতে সহজে শিক্ষা উপাৰ্জন কৰিবলৈ সুবিধা পায় তাৰ কাৰণেহে আমি চৰকাৰৰ ফালৰ পৰা সমৰ্থন বিচাৰি তেখেত সকলক টানি ধৰি আছো। কিন্তু এই

বিষয়ত দেখা যায় যে চৰকাৰে প্ৰথমেই উদাসীনতাৰ মনোভাৱ গ্ৰহণ কৰে। সাধাৰণতে অনুন্নত অঞ্চলৰ লৰাছোৱালীবোৰৰ লিখা-পঢ়াৰ কাৰণে বৰ বেছিকৈ ধাউতি থকা নেদেখোঁ। অভিভাবক সকলৰ অৱস্থা শোচনীয় হোৱাৰ কাৰণে তেওঁলোকে শিক্ষা প্ৰদানৰ কাৰণে লৰাছোৱালী আগবঢ়াই দিবলৈ সমৰ্থ নহয়—তেনেবিলাক কাৰণতেই আমাৰ হাজাৰ হাজাৰ লৰাছোৱালী নিৰক্ষৰ হৈ দেশত নিৰক্ষৰতাৰ সংখ্যা বঢ়াইছে। ইয়াৰ সমাধান কৰিবলৈ হলে আমাৰ চৰকাৰে নিতান্তই এইবিলাক অঞ্চলত 'ক,খ', ফলাৰ পৰা আৰম্ভ কৰি যিবিলাক শিক্ষানুষ্ঠানৰ দৰকাৰ হৈছে সেই স্কুলবোৰ সংস্থাপন কৰি দিয়াৰ জৰিয়তেহে এই কাম সমাধা হব পাৰে। এইখিনি নকৰাৰ কাৰণে আৰু আজি তেখেতসকলে কোনো বাধ্যতামূলক শিক্ষা বিস্তাৰ কৰিবলৈ চেষ্টা নকৰাৰ কাৰণে আমাৰ দেশখন পিচ পৰা আৰু অশিক্ষিত হৈ আছে।

আজি মিজোৰাম ৰাজ্য অসমৰ পৰা পৃথকক হৈ যোৱাত অসমৰ শিক্ষিত লোকৰ সংখ্যাৰ হাৰ তেনেই কমি গল। ইয়াৰ কাৰণ উপাধ্যক্ষ মহোদয় আপুনি জানে যে মিজোৰামত কাৰ প্ৰভাৱত কেনেকৈ শিক্ষা বিস্তাৰ হৈছিল আৰু কেনেকৈ শতকৰা প্ৰায় গোটেইখিনি লোকেই শিক্ষিত হবলৈ সুবিধা পাইছে আৰু হৈছে? কিন্তু আমাৰ দেশত বিষষকৈ অসমত যি যি সুবিধা চৰকাৰে আগবঢ়াইছে-সেইটোৱেই যথেষ্ট নহয় সেইবিলাক ঠিকমতে চিজিল কৰি দিয়াত সক্ৰিয় অংশ গ্ৰহণ কৰা নাই।

আমি আজি শুনিবলৈ পাইছো যে ক'ৰবাত এজন শিক্ষকে এখন স্কুলত এজন ছাত্ৰ পঢ়াই আছে আৰু ক'ৰবাত দুখন স্কুল এজন শিক্ষকে চায়. এই পৰিস্থিতি কিয় হব লগা হ'ল? সেই অঞ্চলত ৰাইজৰ কি লৰা ছোৱালী নাই নেকি? সেই অঞ্চলত বসবাস কৰা মানুহবিলাকে শিক্ষাৰ পৰা আঁতৰি থাকৰ খোজ নেকি? আচলতে আমাৰ দেশত মানুহ যি উদামত চলিছে সেই উদাম যোগাই তুলিবলৈ চৰকাৰে চেষ্টা নকৰে। কোনেও নিয়মানুবৰ্ত্তিতাৰ কাৰণে চেষ্টা নকৰে আজি সৰু সৰু লৰাছোৱালী বিলাকক বিদ্যালত যি শিক্ষা দিছে সেইঁ শিক্ষা যথেষ্ট নহয়। নিয়মানুবৰ্ত্তিতা আত্মসংযম শিক্ষক সকলৰ নাথাকিলে ছাত্ৰ ছাত্ৰীয়ে ভাল শিক্ষা আহৰণ কৰিব নোৱাৰে। আজি অসম চৰকাৰে অনুদান দিয়া স্কুল বিলাকত সেইখিনি শিক্ষা দিছে নে নাই চাবৰ কাৰণে তেখেত সকলৰ সময় নাই। ওপৰৰ পৰিদৰ্শক সকলে কি পদ্ধতিত লৰা

ছোৱালী বিলাক আগবাঢ়িছে সেইটো লক্ষ্য কৰিবলৈ তেওঁলোকৰ সময় নাই। দেখা যায় আমি সদায় অনভিজ্ঞ শিক্ষক সকলৰ হাতত কন কন লৰা ছোৱালীৰ ভৱিষ্যত নিৰ্ভৰ কৰে। মই আগতে কৈছো যে মিজোৰাম অঞ্চলত আজি কিয় শতকৰা ১০০ জনেই শিক্ষিত ? আৰু তেনেকৈ গাতে লাগি থকা দেশখনৰ আজি কিয় শতকৰা ৮০-৮৫ ভাগ নিৰক্ষৰ। তাৰ কাৰণ হৈছে পাতুৰী সকলে সমাজক যেনেকৈ শিক্ষা প্ৰদান কৰাৰ কাৰণে চেষ্টা কৰিছে, আমাৰ সমাজত সেই সোতৰ অভাব। আৰু আমি তেনেকুৱা উৎসাহ উদ্দিপনা যোগাব পৰা নাই। আমাৰ চৰকাৰে যি কামেই হাতত নলওক কিয় সেই ফালেই আমাৰ ৰাজ্যজৰ মন শুকাই যায়। আজি গাওঁৰ স্কুল বিলাকত মহকুমা পৰিষদৰ মানুহে গৈ সভাপতি সম্পাদক হয় কিন্তু যেতিয়া স্কুলঘৰটো বতাহত ভাঙি যায় তেতিয়া কিন্তু মহকুমা পৰিষদ নাযায় গাওঁৰ মানুহে ভাল কৰি দিব লাগিব। ফলত এটা সমন্বয় নাইকীয়া হৈছে। গতিকে যদি লৰা ছোৱালীক বাধ্যতমূলকভাবে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হয় তেতিয়া নিশ্চয় কিছু শিক্ষা আহৰন কৰিব। আৰু যি সকল তথাপি আগবাঢ়ি আহিব নোখোজে তেওঁলোকক কিবা সহায় কৰি হলেও আগবঢ়াই আনিব লাগিব। সেই কাৰণে মই বাৰে বাৰে কৈ আছো এই শিক্ষাৰ কাৰণে এটা পৰিপক্ক আচনি লব লাগে আৰু এই আচনি নোহোৱাৰ ফলত আমাৰ লৰা ছোৱালীয়ে আজি ৬ বছৰ বয়সতো স্কুললৈ গৈয়ো ক খ লিখিব নোৱাৰে। গতিকে আজি যিটো প্ৰস্তাৱ আমাৰ বৰা ডাঙৰীয়াই আনিছে সেইটো বৰ সময়োপযোগী প্ৰস্তাৱ। ১৪ বছৰ আগৰ কালছোৱাত আমাৰ লৰা ছোৱালীয়ে উপযুক্ত শিক্ষা লাভ কৰিবৰ কাৰণে সা-সুবিধা দিব লাগিব অকল আখৰ চিনা শিক্ষা দিলেই নহব গতিশীল পৃথিৱী এখনত পৰিবৰ্ত্তনমুখী শিক্ষালৈ লক্ষ্য কৰি আমি এনে কিছুমান শিক্ষা দিব লাগিব যাৰ দ্বাৰা আমাৰ লৰা ছোৱালীয়ে ১৪ বছৰৰ ভিতৰত ব্যৱহাৰিক জ্ঞানৰ পৰিপক্কতা আহৰন কৰিব পাৰে। যি সকল অভিভাৱকৰ অৱস্থা একেবাৰে বেয়া উপাৰ্জন অতি কম আৰু উপায় তেওঁলোকৰ নাই। অকল তেওঁলোকৰ লৰাছোৱালীক বাধ্যতামূলক শিক্ষা দিলেই নহব, তেওঁলোকক অন্যান্য সা-সুবিধাৰ বিনামূলীয়াকৈ অন্ততঃ এম ই স্কুল পৰ্য্যন্ত শিক্ষাৰ সুবিধা দিব লাগিব। এইটো নিতান্ত আৱশ্যক। কিন্তু এইটো কথাও ঠিক যে যি শিক্ষা দিলে লৰা ছোৱালী শিক্ষিত হয় বা উন্নতি

হয় তেনেশিক্ষা প্রচলনৰ আবশ্যকতা আছে কিন্তু তাৰ কাৰণে তদাৰকৰও দৰ্কাৰ। এই সদনতে কেৱবাৰো চৰকাৰ পক্ষৰ পৰা কোৱা হৈছে যে যিবিলাক অঞ্চলত বাইজ এতিয়াও পিচপৰি আছে, নিতান্ত দৰিদ্ৰ সেই অঞ্চলত চৰকাৰে নিজে তদাৰক কৰি হ'লেও চৰকাৰৰ ফালৰ পৰা স্কুল ঘৰ নিৰ্ম্মান কৰি, শিক্ষক নিয়োগ কৰি সেই অঞ্চলত যাতে লৰা ছোৱালীয়ে উচিত শিক্ষা লাভ কৰিব পাৰে তাৰ চেষ্টা চৰকাৰে কৰিব লাগে।

কিন্তু আজিলৈকে পিছপৰা অঞ্চলবিলাকত নিৰক্ষৰতা দুৰীকৰণ কৰিবলৈ চৰকাৰে কোনো ব্যৱস্থা কৰা নাই। যোৰহাট, নগাওঁ, গুৱাহাটী আদিৰ নিছিনা নগৰ চহৰৰ কাষত একোখন প্ৰাথমিক বিদ্যালয় পাতি দিলে, তাৰ দ্বাৰাই গোটেই ৰাজ্যখনত নিৰক্ষৰতা দুৰীকৰণ নহব। কিমান গাৱঁত এতিয়ালৈকে প্ৰাথমিক স্কুলেই খুলিবলৈ বাকী আছে, তাৰ শেহতীয়া হিচাব এটা আমাৰ চৰকাৰে দিছে। যদি একোখন প্ৰাথমিক বিদ্যালয়ো গঢ়ি নুঠে তেতিয়াহলে, নিৰক্ষৰতা দুৰীকৰণ কৰিবলৈ মানুহে কেনেকৈ সুবিধা পাব? চৰকাৰে মাত্ৰ অযথাই টকা পইছা খৰচ কৰি আছে। খেতিৰ কথাকৈছে, কোনে ৰাজনীতি কৰিছে, কোনে ভাল কৰিছে, কোনে বেয়া কৰিছে—এই বিলাক কথাৰ নানাধৰণে প্ৰচাৰকাৰ্য্য চলাই যিমান বিলাক টকা পইছা খৰছ কৰিছে, সেইবিলাক টকাৰে যদি নিৰক্ষৰতা দুৰীকৰণ কৰাৰ কাৰণে চেষ্টা কৰিলে-হেতেন। এইখিনিকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

*শ্ৰীপিট সিং কোৱঁৰঃ— মাননীয় মহোদয় অধ্যক্ষ মাননীয় বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইটামান কথা কবলৈ আগবাঢিছো।

এই প্ৰস্তাৱটো একেবাৰেই পোনপটীয়া, কোনো ভাজ নাই। প্ৰস্তাৱটো হৈছে এই......... "অসম বিধা সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে, ১৪ বছৰ পৰ্য্যন্ত ৰাজ্যখনৰ সকলো ল'ৰা-ছোৱালীৰ কাৰণে এই বছৰৰ পৰা বাধ্যতামূলক আৰু বিনামূলীয়া এম, ই, এম, ভি, আৰু উচ্চ বুনিয়াদী শিক্ষা প্ৰৱৰ্তন কৰা হওঁক।" আজি আমাৰ সন্মুখত প্ৰথম আৰু প্ৰধান প্ৰশ্ন হৈছে আমাৰ ৰাজ্যখনত শতকৰা কিমান জন মানুহে

*Speech not corrected

চহী কৰিব পৰা হৈছে ; চেঞ্চাসে প্ৰকাশকৰা হিছাপমতে দেখা যায় যে, শতকৰা মাত্ৰ ২৮ জন লোকেহে চহী কৰিব পৰা অৱস্থা হৈছেগৈ। কিন্তু আমাৰ চুবুৰীয়া ৰাজ্য মিজোৰাম, যি মিজোৰাম এসময়ত অসমৰে এখন জিলা আছিল, তাত আজি এই হিছাবটো হৈছে শতকৰা ৩৪ নে শতকৰা ৩৭ জন। তাত যে বাঢ়িব পাৰিলে আমাৰ ইয়াত কিয় বাঢ়িব নোৱাৰিলে? কাগজে-পত্ৰে প্ৰাইমাৰী শিক্ষা বাধ্যতামূলক কৰা হৈছে বুলি কোৱা হৈছে যদিও কামত কিন্তু হৈ উঠা নাই। ১২ বছৰৰ পৰা ১৮ বছৰলৈকে যি সকলে কোনো শিক্ষা লাভ কৰাৰ সুবিধা নেপালে সেই সকলৰ কাৰণে শিক্ষা পোৱাৰ এটা ব্যৱস্থা কৰিবৰ কাৰণে যোৱা ডেৰ দুইবছৰত কোৱা হৈছিল যদিও সি কিন্তু এতিয়াও বাস্তৱত পৰিণত নহ'ল। তাৰ পিছত দুই এখন স্কুল খুলিলে। ১১ বছৰৰ ১৮ বছৰলৈকে নহয়। প্ৰায়মেৰী স্কুলত যি সকলৰ ল'ৰা-ছোৱালীয়ে পঢ়িছে সেইসকলৰ কাৰণে বেলেগ স্কুল খুলি ৫০ টকা দৰ্মহাত শিক্ষক দিছে। ৫০ টকা দৰ্মহা এজন শিক্ষকে পাই ল'ৰা ছোৱালীক পঢ়ুৱাবলৈ কেতিয়াও উৎসাহিত নহয়। সেইবিলাককো কাৰ্যকৰী হোৱা যেন অনুমান নহয়। বহুতো স্কুলত কোনো শিক্ষক নেযায়। ৫০ টকাত কেনেকৈ শিক্ষকতা কৰে? আন আন বৃত্তিধাৰী সকলৰ নিছিনাকৈ অন্ততঃ ১৫০ টকা দিলেও ভাল বুলি ভাবে। সেইটোও কৰা নাই, ল'ৰা-ছোৱালীৰ সংখ্যাও ক্ৰমান্বয়ে কমি যাবলৈহে ধৰিছে। নৈশ বিদ্যালয় বিলাকৰ ক্ষেত্ৰতো থিক তেনেকুৱাই। শিক্ষকে স্কুললৈ নোযোৱাকৈয়ে দৰ্মহা লৈ থাকে। মোৰ সমষ্টিৰে অন্তৰ্গত মাণিকপুৰ বোলা জেগা এডোখৰত থকা নৈশ বিদ্যালয়তে এইটো হৈ আছে। পঢ়াবও নেজানে। চতুৰ্থ পঞ্চম মান শ্ৰেণীলৈকেহে পঢ়ে। ৰাজনৈতিক ফালৰ পৰাইহে এইবিলাক নিয়োগ কৰা হৈছে। পঢ়াবৰ সংস্থান নোহোৱা মাক বাপেকে ল'ৰা-ছোৱালীৰ পঢ়াৰ যোগাৰ দিব নোৱাৰি লোকৰ গৰু-গাই চৰাবলৈ পঠায় নিজৰ পেট প্ৰৱৰ্তাবৰ কাৰণেহে। সেইদৰে ছোৱালী বিলাককো পিছপৰা সম্প্ৰদায় বিলাকৰ, আৰ্থিক দুৰৱস্থাৰ লোক সকলে স্কুললৈ পথোৱা বেলেগ কথা, পেটৰ ভাতমুঠিৰে যাতে সংস্থান হয় তাৰ কাৰণে লোকৰ ল'ৰা-ছোৱালীক কোলা বোকোচাত লবলৈ পঠাই দিয়ে। ১৪ বছৰলৈকে ল'ৰা-ছোৱালীক বিনা মূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা থকা ভাৰতীয় সংবিধান ১৯৫০ চনতে গ্ৰহণ কৰা স্বত্ত্বেও আজিলৈকে তাক বাস্তৱত কাৰ্যকৰী কৰাৰ

উদাহৰণ আমি কতো নেদেখিলো ।

চৰকাৰে এনেয়ে বাহিৰত মিটিঙত বহুত মিটিং কৰি তাত বক্তৃতা দি বিভিন্ন ধৰণৰ সা-সুবিধা দিছো বুলি কৈ ফুৰিছে কিন্তু শিক্ষাৰ ক্ষেত্ৰত এতিয়ালৈকে বহুত টকা খৰচ হৈছে যদিও শিক্ষাৰ ক্ষেত্ৰত কোনো অগ্ৰগতি লাভ কৰিব পৰা নাই য'ত স্কুল আছে কেৱল তাতেই স্কুলৰ সংখ্যা বঢ়োৱা হৈছে আৰু তাতেই বেচিকৈ টকা খৰচ হৈ আছে কিন্তু য'ত স্কুল অত্যন্ত দৰকাৰ আৰু যিবিলাক পিছপৰা ঠাই তাত হলে কোনো ব্যৱস্থা কৰা নাই । এইবাৰ মুখ্য মন্ত্ৰী মহোদয়ে কৈছে যে য'ত স্কুল নাই তাত শিক্ষক দিব লাগিব আৰু তাৰ পিছতহে ল'ৰা-ছোৱালী গোটাব লাগিব কিন্তু এনেবিলাক কথা প্ৰকৃততে কাৰ্যকৰী হৈছেনে নাই সেইটোহে চাব লাগে । ব্যাপ্তিষ্ট মিচেনাৰী সকলে ল'ৰা-ছোৱালীক শিক্ষা দিয়ে আৰু তাৰ পিছতহে তেওঁলোকৰ ধৰ্ম্মলৈ ল'ৰা-ছোৱালী বিলাকক আকৃষ্ট কৰে । কিন্তু চৰকাৰে ব্যাপ্তিষ্ট সকলৰ নিচিনাকৈ স্কুলৰ ব্যৱস্থা কৰিব পৰা নাই । য'ত স্কুল আছে তাতেই নতুন স্কুল প্ৰতিষ্ঠা কৰা আছে কিন্তু য'ত একেবাৰে স্কুল নাই তাত হলে স্কুল প্ৰতিষ্ঠা কৰাৰ কাৰণে কোনো ব্যৱস্থা কৰা নাই । ওপৰৰ শ্ৰেণীৰ কথা বাদেই দিয়ক তৃতীয় শ্ৰেণীলৈকে পঢ়াবলৈ সুবিধা নাই । গতিকেই অন্যান্য শিতানৰ পৰা হলেও টকা আনি এই যিটো প্ৰস্তাৱ অনা হৈছে সেই প্ৰস্তাৱ অনুযায়ী স্কুল নথকা ঠাইত স্কুল প্ৰতিষ্ঠা কৰি তাত লব লগীয়া সকলো ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু আৱশ্যক হলে তাত অতিৰিক্ত মঞ্জুৰী দিব লাগে । একেবাৰতে গোটেই ৰাজ্যখনত নকৰিলেও জিলা মহকুমা পৰ্য্যায়ৰ পৰা আৰম্ভ কৰিব লাগে । যেনেকৈ আবকাৰী আইনখন কোনোবা কোনোবা জিলা বা মহকুমাতহে প্ৰণয়ন কৰা হৈছে বা প্ৰয়োগ কৰিব পৰা হৈছে ঠিক তেনেকৈ এই ক্ষেত্ৰতো জিলা বা মহকুমা পৰ্য্যায়ৰ পৰা আৰম্ভ কৰিব লাগে । কিন্তু যোৱা ৩০ বছৰে এই ধৰণৰ ব্যৱস্থা লোৱা দেখা নগ'ল । তাৰোপৰি বহু সময়ত দেখা যায় কিছুমান শিক্ষকে আন আন ঠাইলৈ ডেপুটেশ্যনত যোৱাৰ পিছত সেই ঠাইত নতুনকৈ কোনো শিক্ষক নোলোৱাৰ বাবে স্কুলবোৰত বহুত অসুবিধা আহি পৰিছে আৰু যিখিনি শিক্ষা এই শিক্ষক সকলৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে পাইছিল তাৰ পৰাও তেওঁলোক বঞ্চিত হব লগীয়া হৈছে । কিন্তু

আনহাতেদি চৰকাৰে কৈ ফুৰিছে আমাৰ ৰাজ্যখন প্ৰজাৰ মঙ্গলকামী ৰাজ্য, তাত ৰাইজে শিক্ষা-দীক্ষা পাইছে, সুখে শান্তিৰে খাবলৈ পাইছে, ৰাইজৰ অৱস্থা স্বচ্ছল হৈ পৰিছে ইত্যাদি কিন্তু প্ৰকৃততে সেইটো একেবাৰেই হোৱা নাই। গতিকে এই প্ৰস্তাৱটো বিৰোধী পক্ষৰ পৰা অনা হৈছে বুলি বিবেচনা নকৰি যাতে প্ৰস্তাৱটো চৰকাৰে গ্ৰহণ কৰি প্ৰস্তাৱটোৰ মনোমত নীতি গ্ৰহন কৰি তাক কাৰ্য্যকৰী কৰাৰ কাৰণে ব্যৱস্থা হাতত লব লাগে। এইখিনিকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ—এই প্ৰস্তাৱটো কাৰ্যকৰী কৰাৰ সম্পৰ্কত কাৰো মনত কোনো সন্দেহ নাই। এই প্ৰস্তাৱটোৰ সম্পৰ্কত যিখিনি উল্লেখ কৰা হৈছে, সংবিধানত তাৰ ব্যৱস্থা আছে। সাংবিধানিক মতে ১৪ বছৰ বয়সলৈকে বিনামূলীয়া ভাবে আৰু বাধ্যতামূলক যি শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে বুলি কৈছে এই গোটেইখিনি দায়িত্ব সংবিধানৰ দায়িত্বৰ ওপৰত আৰোপিত হৈ আছে আৰু এই দায়িত্ব আৰোপিত কৰিবলৈ আমি চেষ্টা কৰিব লাগে আৰু এইদিশত চেষ্টা কৰি থকাও হৈছে। এই ক্ষেত্ৰত মাননীয় সদস্য কোঁৱৰ ডাঙৰীয়াই কৈছে যে বাধ্যবাধকতামূলক শিক্ষাৰ ব্যৱস্থা কৰা হোৱা নাছিল। প্ৰাথমিক পৰ্য্যায়ত আমি শিক্ষা বাধ্যতামূলক কৰিছো, কিন্তু বাধ্যতামূলক শিক্ষা প্ৰৱৰ্তন কৰি চৰকাৰে অভিভাৱকক বাধ্য কৰোৱাতকৈ দেখা যায় গাৱে ভূঁৱে শিক্ষাৰ কাৰণে ৰাইজ বোচ আগ্ৰহশীল আৰু জাগ্ৰত আৰু ৰাইজ সকল জাগ্ৰিত হোৱাৰ কাৰণেই তেওঁলোকে নিজেই য'ত য'ত স্কুল নাছিল সেইবিলাক ঠাইত স্কুল প্ৰতিস্থা কৰিবলৈ আগবাঢ় আহিছে। সেইকাৰণেই বৰা ডাঙৰীয়াই অনা প্ৰস্তাৱটোত উল্লেখ কৰা মতেই সংবিধানত উল্লেখ কৰা আছে। সংবিধান মতেই আমি আগবাঢ় গৈ আছো গতিকেই যিহেতু সংবিধানত যিটো কথা আছে সেইটো প্ৰস্তাৱ আকাৰে যে লব লাগে সেইটো নাভাবো। সংবিধানত থকাৰ কাৰণেই এইটো গুৰুত্বপূৰ্ণ। সংবিধানত যিবিলাক কথা সন্নিবিষ্ট আছে সেইবিলাক আকৌ, চৰকাৰে প্ৰস্তাৱ আকাৰে লোৱাটো প্ৰয়োজন বুলি মই নাভাবো। সংবিধানত যিবিলাক কথা আছে প্ৰস্তাৱ আকাৰে পুনৰুক্তি কৰি প্ৰস্তাৱ তাক ললে কাৰ্য্যকৰী কৰাত বহুত অসুবিধা আছে। তাৰোপৰি এই বছৰৰ পৰাই

*Speech not corrected

কাৰ্য্যকৰী কৰিবলৈ কোৱা হৈছে, এই বছৰেই কাৰ্য্যকৰী কৰিবলৈ হলে আৰু বাধ্যতামূলক ভাবে সেই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ যিখিনি যা-যোগাৰ কৰিব লাগিব আৰু আৰ্থিক দিশৰ পৰা যিখিনি বন্দোৱস্তী কৰিব লাগিব সেইখিনি ভালকৈ পৰীক্ষা-নিৰীক্ষা নকৰি এই বছৰেই কাৰ্য্যকৰী কৰিব লাগিব; এই কথাটোৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগিব আৰু প্ৰস্তাৱটো গ্ৰহণ কৰাৰ পিছত ইয়াক কাৰ্য্যকৰী কৰিব পৰা যায় নে নাযায় তাতো গুৰুত্ব দিব লগীয়া হৈছে। তাৰোপৰি এই ক্ষেত্ৰত আৰ্থিক সাহাৰ্য্য আগবঢ়োৱৰ ক্ষেত্ৰত সাহাৰ্য্য আগবঢ়াব পৰা যাব নে নেযায় সেইটোও চাব লগিয়া হৈছে, যদি আৰ্থিক সাহাৰ্য্যই দিব পৰা নাযায় তেনে অৱস্থাত প্ৰস্তাৱটো গ্ৰহন কৰাৰ পিছত তাক আৰু কৰ্য্যকৰী কৰা নহব। গতিকে তেনে অৱস্থাত প্ৰস্তাৱটো লোৱা নোলোৱা সমান কথা হব।

অধ্যক্ষ মহোদয়, এই বছৰতে এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিবৰ বাবে এই প্ৰস্তাৱত কোৱা হৈছে কিন্তু প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিব পৰা নহয়। গতিকে যদি প্ৰস্তাৱটো গ্ৰহণ কৰা হয় তেনেহলেও কাৰ্য্যকৰী কৰিব পৰা নহয়। যিটো প্ৰস্তাৱ সময়ৰ ফালৰ পৰা কাৰ্য্যকৰী কৰিব নোৱাৰি তেনে প্ৰস্তাৱটো গ্ৰহণ কৰা কিমানদূৰ যুগুত হব সেইটো ভাৱিব লগা কথা। সেই কাৰণে প্ৰস্তাৱটো উল্লেখ কৰা বিষয়বস্তুখিনি সম্পূৰ্ণৰূপে গ্ৰহণ কৰা হৈছে। আৰু সেই বিষয়বস্তুৰ প্ৰতি চৰকাৰ আগ্ৰহশীল। আৰু চৰকাৰে এই বিষয়ে কাম কৰিব। কিন্তু এই বছৰতে এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰা সম্ভৱ নহব। সেই কাৰণে "এই বছৰত" যদি এই কথাটো এই প্ৰস্তাৱত নাথাকিলহেতেন তেনেহলে প্ৰস্তাৱটো সৰ্ব্বাঙ্গ সুন্দৰ হ'লহেতেন। এই কথাটো সংবিধানতো আছে. আৰু সংবিধানত থকা কথা এটা প্ৰস্তাৱ দিয়াত মোৰ কোনো দ্বিমত নাই। গতিকে যদি এই বছৰত প্ৰস্তাৱটো কাৰ্য্যকৰী কৰা কথা নাথাকিলহেতেন তেতিয়াহলে প্ৰস্তাৱটো গ্ৰহণ কৰাত কোনো ধৰণৰ আপত্তি নাছিল। কিন্তু এই বছৰৰ পৰাই কাৰ্যকৰী কৰিব লগা হোৱাৰ কাৰণে এই প্ৰস্তাৱটো কাৰ্য্যকৰী দিশৰ পৰা গ্ৰহণ কৰাত অসুবিধা আছে। অৰ্থাত প্ৰস্তাৱটো গ্ৰহণ কৰিলেও ই অকৃতকাৰ্য্যকৰী হৈ থাকিব আৰু বিধান সভাত গ্ৰহণ কৰা প্ৰস্তাৱটো কামত লগাব নোৱাৰাটো পৰিতাপৰ কথা। আৰু দেখাটো ভাল নহয়। গতিকে মই বৰা ডাঙৰীয়াক

অনুৰোধ কৰিলে। যাতে এই প্ৰস্তাৱটোৰ পৰা এই বছৰ এই কথাটো বাদ দিব পাৰিলে প্ৰস্তাৱটো গ্ৰহণ কৰাত আপত্তি নাই। এই প্ৰস্তাৱটো এই বছৰতে কাৰ্য্যকৰী কৰা সম্ভৱ নহব। অৱশ্যে অতিৰিক্ত প্ৰস্তাব হিচাবে হলেও গ্ৰহণ কৰি লম। কিন্তু এই প্ৰস্তাৱটো এই বছৰতে কাৰ্যকৰী কৰাত চৰকাৰৰ পক্ষৰ পৰা যথেষ্ট অসুবিধা আছে। গতিকে প্ৰস্তাৱটো সংশোধন কৰি দিব লাগে।

* শ্ৰীসোনেশ্বৰ বৰা — অধ্যক্ষ মহোদয়, সংবিধান ৰচনা কৰা লোকসকল আমাতকৈ কম মেধাবী নাছিল। তেখেত সকলৰ নিশ্চই দূৰদৰ্শীতা কোনো গুণে কম নাছিল। সেইখিনি শ্ৰদ্ধাৰে আমি সংবিধান গ্ৰহণ কৰিছিলো। সংবিধানত আছিল যে সংবিধান ৰচনা হোৱাৰ দহ বছৰৰ ভিতৰতে সংবিধানৰ ৪৫ অনুচ্ছেদ মতে ১৯৬০ চনৰ ভিতৰতে ১৪ বছৰ বয়সৰ সমগ্ৰ ল'ৰা ছোৱালীকে বাধ্যতামূলক আৰু বিনামূলীয়া শিক্ষা ব্যৱস্থা দিয়াৰ কাৰ্য্য ব্যৱস্থা লব লাগে। সেইখিনি থকা সত্বেও ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা এতিয়ালৈকে ১৯৬০ পাৰ হৈ গ'ল আৰু এতিয়া ১৯৭৭ চনৰ ২৬ জানুৱাৰী পাৰ হৈ গ'ল এই ২৮ বছৰ কালতো আমি এইটো লব নোৱাৰিলো। এতিয়া মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে এই বছৰৰ পৰা নহলে তেখেতে প্ৰস্তাৱটো গ্ৰহণ কৰিব পাৰে। ইমান মেলা চিকাৰ বিচাৰিলে কেনেকৈ হয়। আমাৰ এটা কথা আছে "নাৰাখি সিচিলে জলৰো ক্ষয় নাই" আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে গাঠী নাইকীয়া চুঙাত অৰ্থাৎ এপাৰতে হোৱা চুঙাত গাখীৰ আৰু গুৰ ভৰাবলৈ বিচাৰিছে। সেই কাৰণে এই প্ৰস্তাৱটো খাতাংভাৱে অনা হৈছে। জনসাধাৰণৰ আশা-আকাংক্ষাৰ ওপৰত ভিত্তি কৰি এই প্ৰস্তাৱটো আনিব লগা হৈছে। আৰু সংবিধানৰ নিয়মাৱলী অন্তভূক্ত ব্যৱস্থাৰ বিষয়ে প্ৰস্তাৱৰ এটা ব্যৱস্থা আমি গা-এৰাই থাকিব বিচাৰিছো। আজি এই বিধান সভাত বাধ্যতামূলক শিক্ষা বা সকলো ল'ৰা-ছোৱালীকে বিনামূলীয়া শিক্ষা দিয়াৰ সংবিধান সন্মত ব্যৱস্থা অনুযায়ী সকলোৰে যেনেকৈ তেপাহ আছে বুলি কোৱা হৈছে আমিও তেনেকৈ আমাৰ দায়িত্ব এৰাব নোৱাৰো। গতিকে ইয়াৰ কাৰ্যকৰী ব্যৱস্থা লব লাগিব। বিধান সভাত গৃহীত প্ৰস্তাৱৰ জৰিয়তে চৰকাৰকে এই ক্ষমতা দিয়া হৈছে। আৰু চৰকাৰে এই বিধান সভাৰ

*Speech not corrected

ওপৰত বিশ্বাস ৰাখি এই বিধান সভাত গৃহীত হোৱা প্ৰস্তাৱৰ সকলো ৰকমৰ ব্যৱস্থা লবৰ কাৰণে সুবিধা থাকিব আৰু যদি কেন্দ্ৰীয় চৰকাৰৰ পৰা পইচা আনিব লগা হয় তেনেহলে কেন্দ্ৰীয় চৰকৰৰ পৰা এই টকা অনাৰ ব্যৱস্থা কৰিব লাগিব। তেখেতে এই ২৮ বছৰেও এই প্ৰস্তাৱটো কাৰ্যকৰী কৰিব নোৱাৰাটো দুখৰ বিষয়। আৰু ইয়াৰ বাবে ৰাইজে যথেষ্ট কষ্ট কৰিব লগা হৈছে। সংস্কৃতত এটা কথা আছে—

ল'ৰা-ছোৱালীক শিক্ষা দিব নোৱাৰিলে বাপেকো শত্ৰু হৈ যায়, আৰু মাকো বৈৰী হৈ যাব পাৰে ততুপৰি সংবিধানৰ নিৰ্দ্দেশনা দি আহিছে। গতিকে আমি এই প্ৰস্তাৱটো গ্ৰহণ কৰা আৱশ্যক হৈ পৰিছে! আজি মুৰ্খ ল'ৰা অজ্ঞানী ল'ৰা-ছোৱালীৰ দ্বাৰা আমাৰ দেশৰ অৱস্থা কি হব সেইটো সকলোৱে জানে। শাস্ত্ৰসন্মত ভাৱে, নীতি সন্মত ভাৱে আৰু জ্ঞান দিবৰ বাবে আমাৰ দেশৰ ল'ৰা-ছোৱালীক শিক্ষা দিব লাগে। আৰু আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ নীতিগত ভাৱে শিক্ষা দিব পাৰিব লাগিব। গৰ্ভত যদি সন্তান মৰি যায় তাতে আনন্দ আছে, উপজি যদি সন্তান মৰি যায় তাতো আনন্দ আছে বা সন্তান হীন হলেও আনন্দ আছে কিন্তু ল'ৰা-ছোৱালীক উপযুক্ত শিক্ষা দিব নোৱাৰাটো ইয়াতোকৰি দুখৰ কথা। ল'ৰা-ছোলীক অবিদ্যান ৰখাতকৈ জন্ম হৈ মৰাই ভাল। অজ্ঞানী মূৰ্খ সন্তানৰ দ্বাৰা সমাজ বা পিতৃ মাতৃৰ কি ধৰণৰ বিপদ হব পাৰে বা বোজা হব পাৰে সেইটো সকলোৱে জানে। আজি আমাৰ সংবিধানত সকলো সুবিধা দিয়া স্বত্বেও আমি আমাৰ উঠি অহা ল'ৰা ছোৱালীক উপযুক্ত ভাবে শিক্ষা দিব পৰা নাই। কথাটো এতিয়া এনে ধৰণৰ হ'ল হেতেন যে, নেখাওঁ ভাত খুৱালি নিগিলো কি কৰ কৰ। ইয়াৰোপৰি নাজানি কৰিলে পাপ তিলৰ সমান, জানি কৰিলে মেৰুৰ সমান। আজি আমাৰ এম, এল, এ এম পি, ডাঙৰ ডাঙৰ লোক সকলে তেওঁ-লোকৰ ল'ৰা-ছোৱালী কনভেণ্ট, পাব্লিক স্কুল আদিত পঢ়িবলৈ দিছে কিন্তু আমাৰ সাধাৰণ মানুহ বিলাকে আজি নানা ৰকমৰ বিপদৰ সন্মুখিন হব লগা হৈছে। প্ৰসংগক্ৰমে মই এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰো যে, পণ্ডিত নেহেৰু বিলাতত স্কুলত পঢ়োতে তেওঁৰ পিতাক মতিলালে যাতে পুতেকে কোনো অসুবিধা ভোগ নকৰে তাৰ বাবে যত্ন লৈ দিনে দিনে এনে ধৰণে গাড়ীৰ ব্যৱস্থা কৰি দিছিল যে, পুতেকে ধনিষ্ঠমানো কষ্টত নপৰে।

কিন্তু তেনেকুৱাকে ৰখা হৈছে সোধাত তেখেতে উত্তৰ দিছিল যে "মোৰ ল'ৰাই কোনো ৰকমৰ অভাৱত যাতে পৰিবলগীয়া নহয়, ভৱিষ্যত জীৱনত অভাৱৰ কাৰণে কোনো ৰকমৰ সংকোচনত যাতে ভুগিব নেলাগে এইটোৰ কাৰণেই তেনে ধৰণৰ ব্যৱস্থা কৰিছোঁ"। সেই জৱহৰলাল নেহেৰু এদিন প্ৰধান মন্ত্ৰী হ'ল তেখেতৰ দুহিতাও প্ৰধান মন্ত্ৰী হ'ল। তাৰ পাছত আমাৰ বন্ধুতেই এম, এল, এ মন্ত্ৰী হ'ল। যদি এই সকলো বিলাক কথা জানি শুনিও প্ৰাইমাৰী স্কুলৰ শিক্ষাৰ কাৰণে অলপ মান চিন্তা নকৰো, যদি এন্ধাৰ গুছাবলৈ চাকি এগচিও জলাই নিদিওঁ, চাকি এগচিৰে পোহৰটো নহয়, মাত্ৰ অকণমান এন্ধাৰ গুছাবলৈ এইটো এটা চেষ্টা মাত্ৰ; ইয়েই যথেষ্ট নহয়, তথাপি চাকি এগচি জ্বলাব লাগে। এই প্ৰস্তাৱটো কাৰ্যকৰী কৰিবলৈ যাওঁতে অসুবিধাত নপৰে। পইচা নাই। কিন্তু পইচা যোগাৰ কৰিব লাগিব। যোগাৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব। এই প্ৰস্তাৱটো গ্ৰহণ কৰিলে তাৰ পিচতেই পইচাৰ যোগাৰ কৰিব লাগিব চৰকাৰৰ ফালৰ পৰা। প্ৰস্তাৱৰ পিচৰে পৰা দায়িত্ব আহিব আৰু তাৰ কাৰণেই জনসাধাৰণে চৰকাৰ পাতিছে প্ৰতিনিধি পাতি দি। যদি সেই দায়িত্ব পালন কৰা নহয় বা পাতিবলৈ কাৰ্যকৰী ব্যৱস্থা লবলৈ চেষ্টা কৰা নহয় তেতিয়াহলে চৰকাৰৰনো দৰকাৰ বা প্ৰতিনিধিৰনো কিহৰ প্ৰয়োজন।

মাননীয় অধ্যক্ষ :—এমেণ্ডমেণ্টৰ কথা সম্পৰ্কে কওক।

শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য:—দিয়াই দিছেনেকি ?

মাননীয় অধ্যক্ষ:—নাই দিয়া।

শ্ৰীসোনেশ্বৰ বৰা:—সংশোধন কৰিব নালগে। এইটো বুজাবলৈহে চেষ্টা কৰিছো। যাতে সংশোধনী নানি বা এইটো বুজিবলৈ চেষ্টা কৰে।

মাননীয় অধ্যক্ষ:—সাত মিনিট আছে।

শ্ৰীসোনেশ্বৰ বৰা:— শেষ কৰিম সংশোধনী নানি এই দায়িত্বশীল আৰু দায়িত্বপূৰ্ণ প্ৰস্তাৱ দুটা যাতে গ্ৰহণ কৰে তাকে বুজাবলৈ চেষ্টা কৰিছো। মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বাধ্যতামূলক কৰিব নালাগে কিন্তু বাইজে যিমানখিনি স্কুল পাতিলে সেইখিনিকে লব পৰা নাই। আগ্ৰহ থকা নথকাৰ কথাও আছে।

স্বাধীনতাৰ ত্ৰিশ বছৰ পিছতো আজি শতকৰা আঠাইশ ভাগ মাত্ৰ সাক্ষৰ হৈছে আৰু বাকী একসত্তৰ বাসত্তৰ ভাগ লোক নিৰক্ষৰ হৈয়েই থাকি গ'ল। সেই সকলৰ কাৰণে চৰকাৰে কৰিব লগীয়া বহুত আছে। যিসকলে স্কুল সাজিব জনা নাই সেই সেই সকলৰ কল্যাণৰ, সেইসকল জনজাতীয় মানুহৰ বাবে সেইসকল পিচপৰা লোকৰ কাৰণে ব্ৰহ্মপুত্ৰৰ বালিত পৰি থকা সেইসকলৰ কাৰণে, আলিয়ে বামে গাৱঁলীয়া অঞ্চলত থকা সকলৰ কাৰণে, বোকাত পৰি থকা সকলৰ কাৰণে, তেওঁবিলাকক আগবঢ়াই আনিবৰ কাৰণে এইটো কৰিব লগীয়া হৈছে। প্ৰগতি আৰু পৰিবৰ্ত্তন দুয়োটা আছে। পৰিবৰ্ত্তনৰ লগত এইটো মিলাই চাব লাগিব। মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয় আৰু তেখেতৰ সতীৰ্থ সকলক অনুৰোধ জনাওঁ দেশখনৰ আশু কল্যাণৰ কথা চিন্তা কৰি এই প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে।

শ্ৰীশৰৎচন্দ্ৰ সিংহ, মুখ্যমন্ত্ৰীঃ—মই তেখেতক উত্তৰ কৰিবলৈ অনুৰোধ কৰিছো।

( ভইচ ঃনকাৰ )

মাননীয় অধ্যক্ষঃ—মই পঢ়ি দিছো ঃ অসম বিধান সভাৰ এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে ১৪ বছৰ বয়স পৰ্য্যন্ত ৰাজ্যখনৰ সমগ্ৰ ল'ৰা-ছোৱালীৰ কাৰণে এই বছৰৰ পৰা বাধ্যতামূলক আৰু বিনামূলীয়া এম-ই-এম-ভি আৰু বুনিয়াদী শিক্ষা প্ৰবৰ্ত্তন কৰা হওক।

( The House divided )

The results of divisions :

Ayes—18

Noes—49

The resolution is lost. The House stands adjourned till 2—30 P. M.

(After Launch)

## Special Motion

Mr. Deputy Speaker— Shri Manabendra Sarma and Shri Lakshmi Kanta Saikia, Special Motion No.1.

Absent.

Shri Manabendra Nath Sarma and Shri Lakshmi Kanta Saikia, Special Motion No. 2. Absent.

শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই মোৰ প্ৰস্তাবটো উত্থাপন কৰিছো। "১৯৭৭ চনৰ ৪ মে তাৰিখে ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ মৰগীয়া বানচৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃত্তিৰ ওপৰত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰা হওক।"

উপাধ্যক্ষ ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসম চৰকাৰৰ কৰ্মচাৰী সকলে মৰগীয়া বানচ বিচাৰি আন্দোলন কৰা আগকনত উপস্থিত হোৱাৰ সময়ত এই সদনত যোৱা ৪ মে তাৰিখে যি বিবৃতি দিছে, যাৰ জৰিয়তে অসমৰ কৰ্ম্মচাৰী সকলৰ হব লগা আন্দোলন নহবৰ কাৰণে চেষ্টা কৰা হৈছে বুলি কোৱা হৈছে আৰু কৰ্ম্মচাৰী সকলক তেখেতসকলৰ (চৰকাৰৰ) দ্বাৰা লোৱা ব্যৱস্থাটো সমৰ্থন জনাবৰ কাৰণে আৰু জনসাধাৰণক তেখেতসকলৰ সিদ্ধান্ত বা চৰকাৰৰ সেই সিদ্ধান্তৰ প্ৰতি সমৰ্থন জনাবৰ কাৰণে যি আহ্বান দিছিল সেই আহ্বান প্ৰকৃততে কৰ্ম্মচাৰী সকলে মানি লব নোৱাৰিলে। কৰ্ম্মচাৰী সকলৰ যি বিলাক দাবী আৰু যি যি কাৰণত সেই দাবী বোৰ উত্থাপিত কৰিছে আৰু সেই দাবী বোৰ পুৰণ নোহোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য জুৰি ধৰ্ম্মঘট কৰাৰ যি সিদ্ধান্ত ঘোষণা কৰিছে সেই সিদ্ধান্তৰ পৰা কৰ্ম্মচাৰী সকলক আঁতৰাই আনিবৰ কাৰণে অৰ্থাৎ তেখেতলোকৰ সিদ্ধান্ত পৰিহাৰ কৰি কৰ্ম্মচাৰী সকলে আন্দোলন নকৰিবৰ কাৰণে যি প্ৰচেষ্টা মুখ্যমন্ত্ৰীয়ে কৰিছিল সেই প্ৰচেষ্টা ব্যৰ্থ হল। ব্যৰ্থ হোৱাৰ কাৰণ হল যে কৰ্ম্মচাৰী সকলৰ দাবী তেখেত সকলে যি ধৰণে পুৰ হব লাগে বুলি ভাবে, চৰকাৰৰ ব্যৱস্থাই সেই সিদ্ধান্ত পুৰণ কৰিব পৰা নাই। মুখ্যমন্ত্ৰীয়ে কৰ্ম্মচাৰী সকলে পাব লগা মৰগীয়া বানচৰ এটা অংশ এই বছৰত নগদ হিচাবে পৰিশোধ কৰিবলৈ ব্যৱস্থা কৰিছে, বাকী টকাটো অহা তিনিটা বিত্তীয় বছৰত কিষ্টি হিচাবে দিবলৈ বিচাৰিছে। ১৯৭৪ চনত চৰকাৰে দিব বুলি ঘোষণা কৰা বা ১৯৭৪ চনৰ পৰা আজিলৈকে দিব লাগে বুলি যিখিনি টকা এই কৰ্ম্মচাৰী সকলক দিব লগা হৈছে সেই টকাটো যদি তেতিয়াৰ পৰা দি আহিলেহেতেন তেতিয়াহলে আজিৰ এই সমস্যাটো নিশ্চয় উদ্ভৱ নহলহেতেন। তেতিয়া যে এই টকা কৰ্ম্মচাৰী সকলক দিব লগা অবস্থা বা পৰিবেশ বা পৰিস্থিতি নাছিল

এনে নহয়। তেতিয়া যে চৰকাৰৰ হাতত থকা বিত্তীয় ব্যৱস্থা আজিৰ দৰে নাছিল সেইটোও নহয়। কিন্তু দিয়া নহল। বৰঞ্চ ১৯৭৫ চনৰ ২৬ জুন তাৰিখে দেশত জৰুৰীকালিন অবস্থা ঘোষণা কৰাৰ পিচত জৰুৰীকালিন অৱস্থা উঠাই লোৱাৰ সিদিনা ১৯৭৭ চনৰ মাৰ্চ মাহলৈকে এই সময় চোৱাত অসমৰ কৰ্ম্মচাৰী সকলৰ বিভিন্ন সন্থাৰ দ্বাৰা যুটীয়া আন্দোলন পৰিষদে প্ৰায় ১৬—১৭ বাৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনাত বহিবৰ কাৰণে চেষ্টা কৰিছিল। মুখ্যমন্ত্ৰীৰ কৰ্ম্মচাৰী সকলৰ প্ৰতি সহানুভূতি নথকাৰ কাৰণে সেই বিলাক সময়ত আলোচনা পতা নহল। সেই জৰুৰীকালিন সময় চোৱাত কৰ্ম্মচাৰী সকলৰ তৰফৰ পৰা আলোচনাৰ মাধ্যমেৰে তেখেতলোকৰ দাবী পৰ্য্যায়ক্ৰমে আদায় কৰাৰ যি ব্যৱস্থা লবলৈ চেষ্টা কৰা হৈছিল, সেই ব্যৱস্থাটো যদি চৰকাৰৰ ফালৰ পৰা মুখ্যমন্ত্ৰীয়ে গ্ৰহণ কৰিলেহেঁতেন, আজি এই সমস্যাটোৰ নিশ্চয় উদ্ভব নহলহেতেন। আজি ১৯৭৪ চনৰ পৰা পৰি থকা টকাৰ কাৰণে একে লগে এটা বিৰাট সংখ্যক টকা কৰ্ম্মচাৰী সকলক দিব লগা হৈছে। মুখ্য মন্ত্ৰীয়ে লগতে কৈছে যে এই বিৰাট সংখ্যক টকা যদি কৰ্ম্মচাৰী সকলক একেলগে দিয়া হয় তেতিয়াহলে ৰাজ্যখনৰ উন্নয়ণ বা উন্নতিৰ অৰ্থে কল্যাণ মূলক যি বিলাক আচনি লব লাগিব, সেই আচনি বিলাকৰ কাৰণে টকা নাই-কীয়া হৈ যাব। দেখাত যদি সেই কথাষাৰ মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে জন-সাধাৰণৰ মাজত প্ৰচাৰ হয় তেতিয়াহলে আমাৰ জনসাধাৰণে হয়তো কৰ্ম্মচাৰী সকলক জগৰীয়া কৰিবৰ কাৰণে সুবিধা পাব। চৰকাৰী কৰ্ম্মচাৰী সকলক দিব লগা ধনৰ কাৰণে ৰাজ্যখনৰ উন্নয়ণত বা উন্নতিত কল্যাণ মূলক আচান লোৱাত বাধা পৰিব, ৰাইজ সকালে সেই বাধা সহ্য কৰিব নোৱাৰে বা নালাগিব। এই দুটা কথা আহিব। এই ধৰণৰ ৰাজ্যৰ কৰ্ম্মচাৰী আৰু ৰাইজৰ মাজত ব্যৱধান, পাৰ্থক্য আনিব খোজা হৈছে, ই এটা প্ৰমাণ।

উপাধ্যক্ষ মহোদয়, মই এই কথা দঢ়াই কব খুজিছো যে ৰাইজ আৰু চৰকাৰৰ মাজত, ৰাইজ আৰু কৰ্ম্মচাৰীৰ মাজত, কৰ্ম্মচাৰী আৰু চৰকাৰৰ মাজত কোনো ৰকম প্ৰভেদ বা সমান্তৰাল ভাবে বেলেগে বেলেগে চলাটো সাংগঠনিক ফালৰ পৰা আবশ্যক থাকিলেও প্ৰকৃততে দেশখন একেলগে চলাব লাগিব। সেই ব্যৱধান আঁতৰাব লাগিব। চৰকাৰে কৰ্ম্মচাৰী আৰু ৰাইজৰ মাজত পাৰ্থক্য বিভেদ আনি দিয়া মানে বাপেক আৰু পুতেকৰ মাজত বিভেদ

আনি দিয়া একে কথা। চৰকাৰ যদি বাপেক হয়, ৰাইজ যদি মাক হয় আৰু কৰ্ম্মচাৰীজন পুতেক হয়, জোৱায়েক হয়, ভাগিনীয়েক হয় তেতিয়া হলে পৰিয়ালৰ কৰ্ম্মচাৰী জন আৰু অভিভাবকৰ মাজত এটা ঘৰুৱালি সম্বন্ধ হব। ৰাইজ আৰু কৰ্ম্মচাৰীৰ মাজত কোনো ৰকমৰ বিভেদ নোহোৱাকৈ আচলতে সমাজখন পৰিচালনা কৰাৰ দায়িত্ব লব পাৰিব লাগিব। ঐক্যবদ্ধ হবৰ কাৰণে চৰকাৰৰ পিচত ৰাইজ থিয় হব পাৰিব লাগিব। কৰ্ম্মচাৰী সকলক ৰাইজৰ পৰা আতৰাই দিয়াৰ কাৰণে চেষ্টা কৰিব সেই কথা থাকিব নোৱাৰে। সেই কাৰণে ৰাইজে যদি সমৰ্থন কৰিব লগা হয়, ৰাইজে যদি গ্ৰহণ কৰিব লগা হয় তেতিয়া হলে ৰাইজ আৰু কৰ্ম্মচাৰী সকলৰ মাজত পাৰ্থক্য নথকাকৈ এটা সিদ্ধান্ত উলিয়াব পাৰিলে সমস্যাটোৰ আচলতে সমাধান হব। ঠিক তেনেকৈ চৰকাৰ আৰু কৰ্ম্মচাৰী সকলৰ মাজত যি অঙ্গাঅঙ্গী সম্বন্ধ সেই সম্বন্ধটো বিচ্ছেদ হোৱাটো আমি কামনা নকৰো। আজি এখন দেশ বুলিলে, চৰকাৰ বুলিলে কৰ্ম্মচাৰী ৰাইজ সকলোকে লৈ দেশখন হয়। সেই সময়ত ৰাইজ, কৰ্ম্মচাৰী আৰু চৰকাৰৰ লগত পিঠিয়াপিঠি হলে কেতিয়াও দেশ চলিব নোৱাৰে। আন্দোলন হোৱা মানে, দাবী উত্থাপিত কৰা মানে, দাবী উত্থাপিত কৰি তৎকালিন সমাধান কৰিব নোৱাৰা মানে যে চৰকাৰ আৰু কৰ্ম্মচাৰী দুফালে যাব লাগিব এনে নহয়। সেইটো এটা সৃষ্টিৰ নেতৃত্বত কেতিয়াও সহযোগ পদ্ধতিত হব নোৱাৰে। সেই কাৰণে এই কথা বিলাক আমি সুক্ষ্ম ভাবে সকলো কোণৰ পৰা বিবেচনা কৰিব লাগিব যাতে চৰকাৰ আৰু কৰ্ম্মচাৰী, কৰ্ম্মচাৰী আৰু ৰাইজৰ মাজত বিভেদ থাকিব নোৱাৰে বা উত্থাপিত হব নোৱাৰে। তাক কৰিবলৈ হলে চৰকাৰে নিজৰ পালিত কৰ্ম্মচাৰী সকলৰ গঠন মূলক আন্দোলনৰ আৱশ্যকতা আমি কোনেও নুই কৰিব নোৱাৰো। যদি চৰকাৰ থাকে চৰকাৰৰ লগত কৰ্ম্মচাৰী থাকিব। তেখেত লোকৰ গঠন মূলক দাবী আৰু গঠন মূলক আন্দোলন যিহেতু পৰিবৰ্তনৰ কাৰণে আবশ্যক আছে, সেই খিনি নিশ্চয় কৰাৰ স্থল বা সুবিধা থাকিব লাগিব।

সেইবুলি কৰ্ম্মচাৰীসকলক যাতে আন্দোলন কৰিবৰ কাৰণে উত্তেজিত কৰিব লাগে—সেইটোকেই চৰকাৰৰ ফালৰ পৰা নেতৃত্ব কৰিব লাগে—সেইটো কেতিয়াও হব নোৱাৰে। তাৰ কাৰণে চৰকাৰৰ এই নেতৃত্বই সোনকালে বিষয়টো ভালদৰে বুজিব লাগিব। যোৱা দুটা বছৰ অৰ্থাৎ জৰুৰীকালিন

শাসনতেই যদি আলোচনা কৰিলেহেতেন আৰু সেই আলোচনাৰ মাজেদি প্ৰাপ্যখিনি তেতিয়াৰ পৰাই দি গলেহেতেন তেতিয়াহলে আজিৰ এই পৰি- স্থিতি নিশ্চয় নহলহেতেন। ইয়াৰ কাৰণে জগৰীয়া কোন ? ইয়াৰ কাৰণে জগৰীয়া কৰ্ম্মচাৰী নহয়— ইয়াৰ কাৰণে জগৰীয়া চৰকাৰৰ নেতৃত্ব আৰু ইয়াৰ কাৰণে জগৰীয়া হব নেতৃত্ব লোৱা চৰকাৰে। আজি চৰকাৰৰ অদূৰদৰ্শিতাৰ কাৰণে এইবিলাক সদস্যা সমাধান কৰাত বিফল হৈছে। আজি একেলগে ৪৭ কোটি বা ৪৯ কোটি টকা যিমান টকাই দিবলগীয়া হওক—সেই টকা দিবৰ কাৰণে যদি চৰকাৰে স্বীকাৰ কৰিছে বা স্বীকৃতি দিছে—তেতিয়াহলে সেই টকা ক্ৰমান্বয়ে দি অহা হলে এই সমস্যা কেতিয়াবাই সমাধান হলহে- তেন। ১৯৭৪ চনৰ পৰাই কৰ্ম্মচাৰীসকলৰ এই মৰণীয়া বানচ দি যোৱা হলে আজি ১০ জনৰ লাঠি এজনৰ বোজাস্বৰূপ নহলহেতেন আৰু এডাল- এডালকৈ ভাগ কৰি সকলোৱে লাঠি লৈ গুচি যাব পাৰিলেহেতেন আৰু ই হাতৰ সাৰথি হলহেতেন। থিক তেনেকৈয়ে কৰ্ম্মচাৰীৰ প্ৰাপ্যখিনি যদি মাহে মাহে দি গলহেতেন তেতিয়াহলে চৰকাৰে আজি যিবিলাক আচনিত বাধা পৰাৰ কথা উল্লেখ কৰিছে, কল্যাণমূলক আচনিত বাধা পৰাৰ কথা কৈছে— সেইবিলাক কথা নোলালহেতেন। কিন্তু সেইটো নকৰি চৰকাৰে গদ গদ অৱস্থাত থাকিল। যিটো অৱস্থা জৰুৰীকালিন অৱস্থাৰে সমাধান কৰিবলৈ চাইছিল— কাৰণ জৰুৰীকালিন অৱস্থাত কৰ্ম্মচাৰীসকল, ৰাইজসকল আৰু জনসাধাৰণে আন্দোলন কৰিব নোৱাৰে।

আন্দোলনৰ প্ৰতি সমৰ্থন জনাব নোৱাৰাকৈ জৰুৰীকালিন অৱস্থা আনি দিছিল। চৰকাৰী নীতিৰ প্ৰতি সমৰ্থন জনোৱাৰ বাহিৰে কোনো কথা বা কোনো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰা কৰি সকলো নাইকীয়া কৰি দিয়া হৈছিল আৰু এতিয়াও তাকেই কৰিবলৈ ওলাইছে। সেইকাৰণে আজি এই অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰৰ এনে ভুল নীতিক কোনেও মানি লব নোৱাৰে। সেইকাৰণে আজি কৰ্ম্মচাৰী সকলে দীৰ্ঘদিন আন্দোলন কৰাৰ উপক্ৰম কৰিছে— তেখেতলোকৰ প্ৰাপ্যৰ কাৰণে, ন্যায্য দাবীৰ কাৰণে, লৰা- ছোৱালীৰ সাম্সুবিধাৰ কাৰণে, চিকিৎসাৰ কাৰণে প্ৰাপ্যখিনি দাবী কৰি, আন্দোলন কৰি, ধৰ্ম্মগত কৰাৰ আৱশ্যক হৈছে আৰু সহযোগিতাৰে আন্দোলন কৰিবলগীয়া হৈছে। কিন্তু এইটো কথা যাতে অসহযোগ পৰ্যন্ত আন্দোলন

হবলগীয়া নহয় আৰু আন্দোলন হবলগীয়া সকলো পৰিস্থিতি বা পবিবেশ মুক্ত কৰি চৰকাৰ চলিব পাৰে, কৰ্ম্মচাৰী সকলেও এই অৱস্থাত পৰিবলগীয়া নহয়, চৰকাৰ আৰু কৰ্ম্মচাৰীৰ মাজত তথা চৰকাৰ আৰু ৰাইজৰ মাজত কোনো ৰকমৰ বিভেদ সৃষ্টি নহয়—তাৰ ব্যৱস্থা কৰিব লাগে। এই বিভেদৰ সৃষ্টি কৰাৰ বাবে কোন দায়ী ? দায়ী চৰকাৰ, দায়ী নেতৃত্ব, দায়ী নেতৃত্বত থকা চৰকাৰ। সেই কাৰণে সময়ে সময়ে আৱশ্যক বুজি সকলো দায়িত্ব পালন কৰিবলৈ সমৰ্থ হব লাগিব। যদি চৰকাৰৰ দোষ নহয়—তেতিয়াহলে কিয় চৰকাৰে তিনি চাৰিটা কিস্তিত টকা দিবলৈ স্বীকাৰ কৰিব লগীয়া হৈছে ? সিদ্ধান্ত লব লগীয়া হৈছে ? আজি যিটো সিদ্ধান্ত লব লগীয়া হল—সেইটো কিয় আগতে লব নোৱাৰিলে ? চৰকাৰৰ এই ভুলৰ কাৰণে কৰ্মচাৰীসকলে কিয় ক্ষমা কৰিব, কিয় প্ৰাপ্য এৰি দিব ? আনহাতে আমাৰ চৰকাৰে এটা কথা কৈছে যে—এইদৰে টকা মানুহৰ হাতত পৰিলেই বস্তুৰ দাম বজাৰত বাঢ়িব. মুদ্ৰাস্ফীতি হব—নীতিগতভাৱে কথাটো সচাঁ। কাৰণ আজিও যদি সেই টকা একেলগে দিয়াৰ ব্যৱস্থা কৰিবলগীয়া হয়—তেতিয়াহলে কোনোবাই তিনি হেজাৰ কোনোবাই দুই হেজাৰ কোনোবাই সাত হেজাৰ টকা পাব আৰু সেই টকা বজাৰত পৰিবই আৰু তেতিয়া মুদ্ৰাস্ফীতি হোৱাটো স্বাভাৱিক। কিন্তু সেই টকা খৰছ কৰাৰ পাচত কৰ্মচাৰী সকলৰ হাতত, ৰাইজৰ হাতত পইচা নৈ নাথাকে। গতিকে পিচ দিনাই যদি বস্তুৰ দাম কমাব নোৱাৰা ব্যৱস্থা নাৰাখে—তেতিয়াহলে ৰাইজে বা কৰ্মচাৰীসকলে বজাৰ মিতাব নোৱাৰা অৱস্থাৰ এটা পৰিবেশত পৰিবগৈ। সেইকাৰণে মুদ্ৰাস্ফীতি যাতে কোনো ৰকমে হব লগীয়া অৱস্থা নহয়—তেতিয়াহলে বক্তৃতাৰে নহয়, প্ৰস্তাৱেৰে নহয়; দম্ভৰে নহয়—কেৱল ইয়াৰ কাৰ্য্য ব্যৱস্থাৰে সমাধা কৰিব লাগিব। সেই কাৰণে যেতিয়াই কৰ্মচাৰীসকলে পাব লাগিছিল তেতিয়াৰ পৰা ক্ৰমান্বয়ে দৰ্ম্মহাৰ লগত দি দিব লাগিছিল। এইটো চৰকাৰৰ ভুলৰ কাৰণে আজি চৰকাৰে সকলো বিপদ নিজে চপাই আনি বাটৰ কচু গাত ঘঁহিছে। তাৰ পাছত জন সাধাৰণক কব বিচাৰিছে যে পৰিকল্পনাত যদি বাধা পৰিব লগীয়া নহয়, কল্যাণমূলক আচনিত যদি বাধা পৰিব লগীয়া নহয়—তাৰ কাৰণে কৰ্মচাৰীসকলক চৰকাৰে যিখিনি দিব বিচাৰিছে—সেইখিনিত যাতে সন্তুষ্ট হয় আৰু এই পদ্ধতি যাতে কৰ্ম্মচাৰীসকলে গ্ৰহণ কৰে তাৰ কাৰণে জন-

সাধাৰণে সমৰ্থন জনাওক, বিৰোধী পক্ষ্যই সমৰ্থন জনাওক, বিভিন্ন ৰাজনৈতিক দলে সমৰ্থন জনাওক ইত্যাদি কথা কৈছে। কিন্তু এখন দেশ চলিবৰ কাৰণে জনসাধাৰণে বা কৰ্মচাৰী সকলে বা বিভিন্ন সংস্থা সমূহে বা ৰাজনৈতিক দলে সহযোগ নকৰিলে—দেশখন সুস্থিৰে চলিব নোৱাৰে। আজি ইউনিয়ন বা সংস্থাই বা সভা-সমিতি বিলাকে চৰকাৰক বিপদত পেলাবৰ কাৰণে গঠিত নহয়—এই সংস্থা বা সভা সমিতি গঠন কৰা হয় দেশখন সুস্থিৰে চলাবৰ বাবে সকলোৱে নিজৰ নিজৰ ক্ষেত্ৰত লবলগীয়া দায়িত্ব পালন কৰিবৰ বাবে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে। স্বাধীন দেশখনত সেইখিনি পালন কৰিব লগীয়া নিজস্ব দায়িত্ব আছে। এই দায়িত্ব কেৱল মন্ত্ৰীৰেই নহয়, বিত্তমন্ত্ৰীৰেই নহয়, মালিক সকলৰেই নহয়, চেক্ৰেটৰী, বিধানসভাৰ সদস্য বা বিষয়া সকলৰেই নহয়—সৰ্ব্বসাধাৰণ ৰাইজৰ, সৰ্ব্বসাধাৰণ কৰ্মচাৰীৰ আজি এইখন দেশত এটা নিৰাময় অৱস্থা আনিবলৈ এইখিনি কাম কৰা যায়। কুশল-মঙ্গলৰ পথ বিচাৰি সুখে-সন্তোষে খাবলৈ জীয়াই থাকিবলৈ ব্যৱস্থা কৰা সকলোৰে দায়িত্ব আছে। সেইফালৰ পৰা ইউনিয়ন সংগঠন কৰা সকলৰ আজি দায়িত্ব কেতিয়াও চৰকাৰৰ দায়িত্বতকৈ কম নহয়। দেশাত্মবোধ থকা যিকোনো ইউ-নিয়ন যিকোনো সংগঠন যিকোনো অনুষ্ঠান ব্যক্তিৰ নেতৃত্বই সেই দায়িত্ব আজি একান্তচিত্তে পালন কৰিব লাগিব। সেইখিনি কৰিবৰ কাৰণে কৰ্মচাৰী সকলেই হওক বা কৃষকেই হওক সেই সকলক সংগঠন কৰিব কাৰণে এনে ধৰণৰ সুবিধা দিয়াৰো নেতৃত্বৰ দায়িত্ব। সেই কাৰণে চৰকাৰ আৰু কৰ্মচাৰী, চৰকাৰ আৰু অনুষ্ঠান, চৰকাৰ আৰু মজদুৰ খেতিয়কৰ মাজত যাতে কোনো ৰকমৰ দালালি কৰা নহয়, সেই ব্যৱস্থা লয়। যাতে মজদুৰ সকলে বা ইউনিয়নৰ সভ্য সকলে ইয়াৰ প্ৰতি নজৰ লয় আৰু নেতৃত্ব কৰে। যোৱা পাঁচ তাৰিখে সমগ্ৰ ৰাজ্য জুৰি অভূতপূৰ্ব্ব ধৰ্মঘত হৈছে—আৰু তাৰ প্ৰতি যদি আওকাণ কৰা হয়, চৰকাৰৰ ফালৰ পৰা তেখেতলোকৰ প্ৰাপ্যখিনি দিয়াৰ পৰিবৰ্ত্তে কেৱল কয়—কৰ্মচাৰী সকলৰ কাৰণে, কৰ্মকৰ্ত্তা সকলৰ কাৰণে, সংগঠক সকলৰ কাৰণে চৰকাৰৰ-আগ দুৱাৰ পিচ দুৱাৰ মুকলি আছে। এইদৰে কৰি থাকিলে সমস্যা সমাধান নহয়। কিন্তু এনেকুৱা সমাধানৰ সিদ্ধান্ত উলিয়াব লাগিব যি সিদ্ধান্তৰ জৰিয়তে—কৰ্মচাৰীসকলৰ প্ৰাপ্যৰ বাবে যিখিনি কাৰণ উল্লেখ কৰিছে—সেইখিনি পোৱাত যাতে কোনো ব্যতিক্ৰম নহয়—তেনেকুৱা পথ উলিয়াব লাগিব—যি পদ্ধতিৰ দ্বাৰা দেশ চলে, চৰকাৰ চলে, ৰাইজ আৰু

কৰ্মচাৰীৰ কোনো বিভেদ সৃষ্টি নহয় ।

মোৰ মনত আছে এসময়ত যেতিয়া প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলে আন্দোলন কৰিবলৈ লৈছিল সেই সময়ত মুখ্যমন্ত্ৰীৰ দায়ীত্বত থকা শ্ৰীবিষ্ণু মেধিয়ে এটা কথাকৈছিল যে প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলে আন্দোলন কৰোতে যদি দা-দৰ্ম্মহা দিয়াৰ কাৰণে ৰাইজে সমৰ্থন কৰে তেনেহলে তাৰ কাৰণে ৰাইজৰ ওপৰতে হেঁচা পৰিব । কিয়নো তেখেতলোকৰ ওপৰতে খাজনা বা বেছিকৈ টেক্স বঢ়াব লাগিব আৰু তাৰ কাৰণে খেতিয়ক ৰাইজৰ কষ্ট হব আৰু সেইটোত যদি জনসাধাৰনে সমৰ্থন কৰে তেনেহলে আমি এওঁলোকক দৰ্ম্মহা বঢ়াই দিব পাৰো । মুকলিভাবে শ্ৰীবিষ্ণু মেধিয়ে ৰাইজক এই আহ্বান দিছিল আৰু তেতিয়া ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হৈছিল। তেখেতলোকৰ মাজত ধাৰনা হৈছিল যে শিক্ষকে দৰ্ম্মহা পায়ে আছে আৰু যদি তাৰ ওপৰত দৰ্ম্মহা পাৰ লাগে আৰু যদি সেই দৰ্ম্মহা আমাৰ ওপৰত টেক্স বা খাজনা লগাই দিয়ে তেনেহলে আমিনো গৈ সভাত তেওঁলোকক সমৰ্থন কৰি আমাৰ নিজৰ বিপদ আমি কিয় নিজে মাতি আনো । এই-ধৰনে ৰাইজ আৰু শিক্ষকৰ মাজত এটা বিভ্ৰান্তিৰ সৃষ্টি হৈছিল । এই আন্দোলন ব্যৰ্থ কৰিবৰ কাৰণে আজিৰ মুখ্যমন্ত্ৰীয়েও চেষ্টা কৰিছে । মুখ্য-মন্ত্ৰীৰ বিবৃতিত কৈছে যে যিখিনি পইছা আছে, সেইখিনি ৰাইজৰ কল্যানমূলক আচনিৰ কাৰণে ৰখা হৈছে আৰু সেই খিনি ৰাজকোষৰ পৰা উলিয়াই দিলে জনসাধাৰণৰ কল্যানমূলক আচনিৰ কাৰনে পইছা নাথাকিব আৰু তেতিয়াহলে ৰাইজে আমাক দোষ দিব নোৱাৰে । এইটো বৰ মাৰাত্মক কথা কৈছে । এই কথাষাৰ দেশখনক বচাবলৈ কোৱা নাই এই কথাষাৰ কোৱা হৈছে ৰাইজক বিভ্ৰান্ত কৰিবলৈ । ইয়াৰ দ্বাৰা কৰ্ম্মচাৰী সকলক আৰু বেছি আন্দোলনমুখী কৰা হব । এইটো কথা নহয় যে কৰ্ম্মচাৰী সকলক দৰ্ম্মহা দিলেই ৰাইজৰ কল্যানমূলক কাম নহব আৰু সেইখিনি পইছাৰে দেশৰ সকলো সমস্যা সমাধান হৈ যাব ! মুখ্য মন্ত্ৰীয়ে দৃঢ়তাৰে এই ঘোষণা কৰিব নোৱাৰে । সেইখিনি সম্বল তেখেতৰ হাতত নাই । তেখেতে তেনে এখন আচনি লব পৰা বা ঘোষণা কৰিবৰ কাৰণে সম্বল হাতত নাই । সেই কাৰণে তেখেতৰ বিবৃতিতোৰ অন্তৰালত যিখিনি কথা আছে সেই খিনি সংশোধনৰ আৱশ্যক হৈছে । জনসাধাৰণ আৰু কৰ্ম্মচাৰীৰ মাজত যাতে

বিভ্ৰান্তি অনা নহয়, কাৰণ এই সকল মানুহৰ নাতি পুতি ভায়কে ভনিয়েক জোৱায়েকেই আমাৰ কৰ্ম্মচাৰী। ইয়াৰ মাজত এটা ৰাজনৈতিক চক্ৰান্ত সোমাই পৰিছে ইয়াৰ কাৰণে আমাৰ কোনো অৱস্থাৰ উন্নতি নহয়। সেই কাৰণে তেখেতৰ এই বিবৃত্তিটো সংস্কাৰ কৰিব লাগে জনসাধাৰণৰ বিশ্বাস ৰখাকৈ। আজি আন্দোলন কৰি এই সকল কৰ্ম্মচাৰীয়ে কেতিয়াও আমাৰ পৰা আতৰি যাবলৈ বিচৰা নাই। আজি অসমত ১ লাখতকৈও বেছি কৰ্ম্মচাৰী আছে আৰু তাৰ লগত প্ৰায় ৪৫ হাজাৰ প্ৰাইমাৰী স্কুলৰ শিক্ষক চৰকাৰীকৰণৰ পাচত অন্তৰভুক্ত হৈছে আৰু অৰ্দ্ধচৰকাৰী লগ হৈ হয়তো ২ লাখ হব কিন্তু তেখেতসকল যদি ৰাইজৰ সেৱাৰ পৰা আতৰি যায় তেনে-হলে কিবা সমস্যাৰ সমাধান হব নে? গতিকে তেখেতলোকৰ আন্দোলনৰ কাৰণে যি পৰিস্থিতিৰ সৃষ্টি হব তাৰ কাৰণে দায়ী বা জগৰীয়া কোন হব? তাৰ কাৰণে দায়ী হব চৰকাৰ। এই বিধান সভাত এই মুখ্য মন্ত্ৰীয়ে বাৰে বাৰে কৈছে যে এই কৰ্ম্মচাৰী সকল যদি ভুলপথে গৈছে বা পাৰ্টিৰ কামত লাগিছে অপকৰ্ম্ম কৰিছে তাৰ কাৰণে কৰ্ম্মচাৰী সকল দোষী নহয়, দোষী মুখ্যমন্ত্ৰী নিজে। বুকুত হাত দি বুকু ফিণ্ডাই তেখেতে কৈছে যে কিবা ভুলৰ কাৰণে জগৰীয়া হব লাগিলে নিজে মূৰপাতি সেই দোষ গ্ৰহণ কৰিব। ভাৰতবৰ্ষৰ কেন্দ্ৰৰ ৰাজনীতিত ও তেনেকুৱা এটা ঘটনা হৈছিল। জনতা পাৰ্টিয়ে শাসনভাৰ লোৱাৰ পাচত কংগ্ৰেছৰ হকে কিবা দোষ হৈছে যদি তাৰ দাই দোষ মুৰপাতি লৈছে পাক্তন প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে। কিন্তু সেইবুলি তেখেতক পাৰ্টিয়ে ক্ষমা কৰিছে নে? ৰাইজে তেখেতক ক্ষমা কৰিব নে? সেইদৰে মুখ্যমন্ত্ৰীয়েও গা বচাবৰ কাৰণে আসনত থাকি বক্তৃতাৰ সুবিধা পাই গাব বল দেখুৱাই মুখ্যমন্ত্ৰী হিচাবে তেখেতৰ কেবিনেট সতীৰ্থ সকলৰ গাত দোষ নাই বুলি কলে জনসাধাৰণ বা কৰ্ম্মচাৰী সকল পতিয়ন যাব নে? ভুল কৰিছে যদি তেখেতৰ নেতৃত্বতে ভুল কৰিছে কাৰণ তেখেতলোকৰ মাজত এটা অঙ্গাঙ্গী সম্বন্ধ আছে, কাৰ গাত ভুল আছে ৰাইজে তাক বিচাৰ কৰিব জানে। তাৰ বিচাৰ ৰাইজে কৰিব। কাৰণ কুঠাৰৰ কোব নমনা আৰু বেজীৰ জলা মনা একেই কথা। অসমৰ গৃহমন্ত্ৰীয়ে তথ্য আৰু জনসংযোগৰ দায়ীত্বত থাকি যিবিলাক কিতাপ আজি ২ বছৰে প্ৰচাৰ কৰিলে সেইবিলাক চৰকাৰৰ বাজেটৰ টকাই খৰছ

কৰা নাই নে ? বাজেটৰ ওপৰিওঁ চান্দাঁৰ নামত টকা সংগ্ৰহ কৰি জয় প্ৰকাশৰ নিচিনা এজন মানুহক ট্ৰেইটৰ বুলি প্ৰচাৰ কাৰ্য্য চলালে, সঞ্জয়-গান্ধীক অসমৰ বুকুত আহি কোৰ মাৰি খেতিকৰা পৰ্য্যন্ত ছবি গ্ৰহণ কৰি প্ৰচাৰ কাৰ্য্য চলালে। সেই ছবি তোলা পইছা সেই কোৰ মাৰোতে খৰছ হোৱা পইছা এই প্ৰচাৰ কাৰ্য্যৰ কাৰণে খৰছ হোৱা পইছা ক'ৰ পৰা খৰছ কৰিলে ? জৰুৰী অৱস্থাৰ নামত এই কৰ্মচাৰী সকলে ৰাতি দিনে চৰকাৰে যেনেকৈ নিৰ্দ্দেশ দিছে তেনেকৈ কাম কৰিছে, পৰিশ্ৰম কৰিছে সেই পৰিশ্ৰমৰ বিমিময়ত তেখেতলোকৰ প্ৰাপ্যধনৰ পৰাও বঞ্চিত হৈ যাব এই কথা হব নোৱাৰে।

ক'লৈ গল আজি সেই ৰাস্তাৰ কাষে কাষে শ্ৰীমতী ইঁন্দিৰাগান্ধীৰ ছবিবোৰ, আজিৰ কাৰত ৰাখি বিভিন্ন কথা লিখিথোৱা চাইনবোৰ্ড বিলাক। চৰকাৰৰ বিভিন্ন বিভাগৰ ফালৰ পৰা আৰি থোৱা সেই 'ডাঙৰ ডাঙৰ চাইন-বোৰ্ড বিলাক আতৰাই পেলাবৰ কাৰণে কাক দিয়া হল ? সেইবিলাক টকাও কি চৰকাৰী কৰ্ম্মচাৰী সকলৰ দা দৰ্ম্মহাৰ টকাৰ পৰাই দিবলাগিব ? আজি সকলোৱে এই বিলাক চৰকাৰৰ কথা বুজি পাইছে। কৰ্ম্মচাৰী সকলে দাবী কৰা বোনচ আদি দিব নোৱাৰে বুলি কলে কোনে মানিব ? খেতিয়কক ব্যৱস্থা দিবপৰা নাই, লৰাছোৱালীক পঢ়িবৰ কাৰণে ব্যৱস্থা দিয়া নাই, একো-খন চকী বেন্স দিব পৰা নাই। দিচপুৰ বিদ্যালয় খনৰে ঘৰ নাইকীয়া হৈ গল। জুই লাগি অলপ দিনৰ আগতে ভস্মীভূত হৈ গৈছে। তাৰ চালখনো লগাই দিবপৰা নাই। তাতে যোৱা ২১ এপ্ৰিলৰ দিনাখন বতাহে বাকী চোৱাও উকৰাই লৈ গল। তাৰ ঘৰটোও বনাই দিবপৰা নাই। লৰা-ছোৱালী বিলাকে পঢ়িব পৰা নাই। শিক্ষক সকল বহিবলৈ চকী নাই, ছাত্ৰ ছাত্ৰী বহিবলৈ বেঞ্চ নাই, লৰাছোৱালীক পঢ়ুৱাবলৈ নাই যাৱতীয় সা-সজুলি। কিন্তু লাখ লাখ কোটি কোটি টকা অন্যায়ভাৱে, অযথা সদায়েই খৰছ কৰি থকা হৈছে। সজ কামলৈ নহয়, বেশ্যা কামৰ কাৰণে খৰছ কৰি থকা হৈছে। বেশ্যা কাম কৰিবৰ কাৰণে সোপাসোপে টকা ওলায়। সজ কামৰ কাৰণে টকা নোলায়। প্ৰাপ্য টকা আদায় দিবলৈ টকাৰ নাটনি। চৰকাৰে কৰ্ম্মচাৰী সকলক বুজাবলৈ যিখিনি কথা কৈছে সেইখিনি চৰকাৰী কৰ্ম্মচাৰী সকলে নজনা নহয়। জৱাহৰ নগৰত যেতিয়া কংগ্ৰেছ অধিবেন বহিছিল

তেতিয়া, কি শিক্ষা বিভাগ, স্বাস্থ্য বিভাগ, পুলিচ বিভাগ, উদ্যোগ বিভাগ আদি চৰকাৰৰ যিমান বিলাক বিভাগ-বিভাগ আছে সেই সকলোবিলাক বিভাগকেই নিয়োগ কৰা হৈছিল। বিভাগীয় চৰকাৰী কৰ্ম্মচাৰী সকলে চৰকাৰৰ এই বিলাক কলকৌশলৰ কথা বুজিবলৈ কিবা বাকী আছে নেকি ? ইমান খিনি কথা বুজি পোৱাৰ পিছত মুখ্যমন্ত্ৰীৰ মৌসনা কথাত আৰু তেখেত সকল ভূল যাবনে ? কৌশলী ব্যৱস্থাৰ কাৰণে আমাৰ মুখ্যমন্ত্ৰী আজি সাৰি যাব-নোৱাৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ চুবুৰীয়া ৰাজ্য সমূহ যেনে,– ১৩ লাখ জনসংখ্যাৰে সৈতে মেঘালয়, চাৰে চাৰিলাখ জনসংখ্যাৰে সৈতে নগালেণ্ড, তিনিলাখ জনসংখ্যাৰে সৈতে অৰুণাচল—এই বিলাক ৰাজ্যৰ যি বিলাক বাজেট সেইবিলাক বাজেটৰ কথা কোন কৰ্ম্মচাৰীয়ে নেজানে ? কোনে নুবুজাকৈ আছে ? সকলোৰে আজি বুজি পাইছে। এই সকলোবিলাক ৰাজ্যৰ টকাৰ বজাৰ অসমৰ বজাৰত হয়। গুৱাহাটীৰ পৰা উত্তৰ লক্ষীমপুৰ-ডিব্ৰুগড়-লৈকে এই চোৱাই হৈছে এই ৰাজ্য মূহৰ বাজেটৰ পইছাৰ বজাৰ। অসমৰ মানুহে বয়বস্তুৰ বজাৰত, মাছৰ বজাৰত দৰদাম মাৰি থাকোতেই যায়, এইবিলাক ৰাজ্যৰ পৰা নামি অহা বেছি বেছি দৰ্ম্মহা পোৱা কৰ্ম্মচাৰী আৰু ধনঘটা সকলে মুখৰ আগতে ভাল বস্তুটো উঠাইলৈ গুছি যায়।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে আজি আমাৰ চৰকাৰ আৰু ৰাইজক সকিয়াই দিব খুজিছোঁ যে, মূল্য বাঢ়ি যোৱাৰ লগে লগে অসমৰ বজাৰত বিশেষকৈ উজনীঅসমত অৰুণাচল, নগালেণ্ডৰ যি ধৰণৰ ধনৰ প্ৰচলন হৈছে যে, সেই বিলাক ৰাজ্যৰ লোকে অতি সহজে ভালৰ ভালবস্তুটো আমাৰ মানুহৰ মুখৰ আগত কিনি লৈ গুছি যায়। কিন্তু আমাৰ ৰাজ্যৰ লোক সকলে নোৱাৰে। এইদৰে আমাৰ মানুহ বিলাকৰ ককাল-কৰঙ্গন একেবাৰে চিন চাব নাইকীয়া হৈ শেষত ৰসাতললৈহে যাবগৈ। কাৰণ ভাল বস্তু যদি খাবলৈ নেপায় তেতিয়াহলে, অসমীয়াৰ এইবিলাক হব কৰ পৰা ? শকত কলাফুল, বহল বুকু লাহি খামুছি ককালৰে সৈতে অসমীয়াৰ যিটো প্ৰবাদ আছিল সেইটো আজি নাইকীয়া হৈ গৈছে। তাৰোপৰি, বাজেটৰ জৰিয়তে কৰিবলগীয়া কামখিনিও কৰিব পৰা নাই এই চৰকাৰে।

মানুহৰ শ্ৰীবৃদ্ধি একো নাইকীয়া হৈগৈছে। এইদৰে পুষ্টিকৰ খাদ্যৰ অভাৱত ভুগি ভুগি শেষত আমাৰ বংশধৰ বিলাকো বলবীৰ্য্য হীন হৈ পৰিবগৈ। কামিহাড় ওলোৱা অৱস্থা হৈছেগৈ। হাড় দাল দাল হৈ লিখিব পৰা অৱস্থা হৈছেগৈ। ইয়াৰ পিছত যে কি অৱস্থা হব তাক ভগবানেহে জানে ? আমাৰ মাননীয় সদস্য শ্ৰীমালপেগু ডাঙৰীয়াই চিন্তা কৰিব নেলাগে, তেখেতে খাবলৈ পাব। মাজুলীত মাহ গাখীৰ, মাটি মাহ সকলো আছে খাবলৈ পাব। গতিকেই তেখেতৰ কঙ্কাল-কৰঙ্গন, কলাফুল নুওকায়। ভয় কৰিব নেলাগে। কিন্তু যি সকলৰ অন্য কোনো ব্যৱস্থা নাই, কামো কৰিব নোৱাৰে, যি সকলে মাহটো পূৰ হোৱালৈ বাট চাই থাকিব লাগে যি সকলে দৰ্মহা নেপালে জুই চকুৰ তললৈ নেযায়, সেই সকলৰ কথাটো আজি সেই কাৰণেই এই বিধান সভাত আলোচনা কৰিব লগীয়া হৈছে। সেই কাৰণেই আজি এই প্ৰস্তাৱ উত্থাপন কৰিবলগীয়া হৈছে। আমি জানো আমাৰ কৰ্ম্মচাৰী সকলৰ মাজতো ব্যৱধান আছে। কোনোবা কৰ্ম্মচাৰীয়ে কম দৰ্ম্মহা পায়, কোনোবাই বেছি দৰ্মহা পায়, কোনোবাই ডাঙৰ ঘৰদুৱাৰৰ সুবিধাপাইছে, কোনোবাই লগুৱা-লিকচৌ আদিৰ সুবিধা পাইছে, আৰু কোনোবাই হয়তো এই বিলাকৰ বেলেগে কথা কোনোমতেহে জীৱন নিৰ্ব্বাহ কৰিবলগীয়া হৈছে। এই বৈষম্য আছে। অকল চৰকাৰী কৰ্মচাৰী সকলৰ মাজতেই নহয়, আমাৰ দেশৰ, আমাৰ সমাজৰ প্ৰত্যেক স্তৰতে এক বিৰাট অৰ্থনৈতিক বৈষম্যতাই বিৰাজ কৰিছে। এই বৈষম্যৰ কাৰণে জগৰীয়া কোন ? ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ৰাতি ১২ বজাত ক্ষমতাৰ দখললৈ অহা আজি ৩০ বছৰে একাধাৰে প্ৰভূত্ব বিস্তাৰ কৰি অহা এই কংগ্ৰেছী দল আৰু কংগ্ৰেছী চৰকাৰেই ইয়াৰ বাবে একমাত্ৰ জগৰীয়া। অকল জাত পাতৰ ক্ষেত্ৰতেই এই বৈষম্য নহয়, জাত-পাতৰ পৰা আৰম্ভ কৰি, ভাষা-সভ্যতা কলা-কৃষ্টি, সকলোতে এই বৈষম্য বিৰাজ মান আৰু ই ক্ৰমান্বয়ে বাঢ়িহে আছে। মহাত্মাগান্ধীৰ নামত শাসন কৰা এই চৰকাৰেই তাৰ কাৰণে একমাত্ৰ জগৰীয়া। দেশখন স্বাধীন হোৱাৰ লগে লগেই যদি সমাজ-বাদী অৰ্থনীতি, সমাজবাদী সংস্কৃতি নীতি, গ্ৰহণ কৰা হলহেতেঁন, সামাজিক পৰিবৰ্ত্তনৰ কাৰণে, অৰ্থনৈতিক পৰিবৰ্তনৰ কাৰণে সমতাৰ ভিত্তিত আচঁনি গ্ৰহণ কৰা হলহেঁতেন তেতিয়াহলে, আজি এই অৱস্থা নহলহেঁতেন। ৩০ বছৰ একাধাৰে শাসনৰ গাদীত থকাৰ পিছত এইদৰে চৰকাৰী কৰ্মচাৰী

সকলে জীয়াতু নোভোগাকৈ দুবেলা দুমুঠি খাই বৈ সুখেচাচ্ছান্দৰে থাকিব পাৰিলোহেঁতেন । তাৰ কাৰণে এইখন দেশত প্ৰচুৰ সম্পদ আছিল । কিন্তু চৰকাৰে সেইভাৱে পৰিচালনা কৰিব নোৱাৰাৰ কাৰণেই আজি সেই সকলেই ইয়াৰ কাৰণে একমাত্ৰ জগৰীয়া হব । আজি যিমান যত বৈষম্য, ভুলত্ৰুটি হৈছে সকলোবিলাক হৈছে শাসক সকলৰ কাৰণে শাসিত শোশিত সকলৰ কাৰণে নহয় । কিয়নো 'ৰাজাকালস্যকাৰণম্' । কাল ৰজাই সৃষ্টি কৰিছে, ৰজাই যি ফালে গতি কৰিছে সেই ফালেই প্ৰজায়ো যাবলগীয়া হৈছে । মাননীয় সদস্য সকল 'য সকলে এই সদনত বহি আছে সেই সকলৰ দেশ পৰিচালনাৰ দায়িত্ব বেচিকৈ আছে, মাল চন্দ্ৰ পেগুয়ে যি দৰে দেশ পৰিচালনাৰ দায়িত্ব পালন কৰিব লাগিব সেইদৰে সোনেশ্বৰ বৰায়ো সেই দায়িত্ব পালন কৰিব লাগিব । কাৰণ এই সকল এম, এল, য়েই আজি সদনত বহি ৰাইজৰ দুখৰ কথা কবলৈ সুবিধা পাইছে, ৰাইজৰ প্ৰতিনিধিত্ব কৰিবলৈ সুবিধা পাইছে । দেশ পৰিচালনাৰ দায়িত্বত বক্তব্য মন্তব্য ডাঙি ধৰাৰ সুবিধা পাইছে চৰকাৰৰ আইন প্ৰশাসন চলোৱাত চৰকাৰক দিহা-পৰামৰ্শ দিবলৈ সুবিধা পাইছে । সংবিধানত থকা সুবিধা বিলাক আদায় কৰিবলৈ সুবিধা পাইছে, গতিকে সমাজৰ প্ৰতিনিধি হিচাবে ৰাইজৰ দায়িত্ব বহন কৰাৰ দায়িত্ব এইসকলৰ হাততেই । অকল সেয়েই নহয় চৰকাৰক বিভিন্ন আইন প্ৰশাসন চলোৱাত যিবিলাক উচ্চপদস্থ কৰ্ম্মচাৰী বা বিষয়াববীয়া আছে সেই সকলো চৰকাৰৰ লগতে জগৰীয়া, কিয়নো আজি গনতান্ত্ৰিকৰ নামত মহাত্মা গান্ধীৰ নামত সমাজবাদ প্ৰতিস্থা কৰাৰ নামত যি দৰে জনতাক ভুৱা দিছে তাৰ বাবে তেখেতলোক সমানে জগৰীয়া । আজি গাৱঁৰ পৰা মানুহ বিলাকে আতৰি আহিছে আৰু সমাজবাদৰ নামত সমাজক বাদ দি গাৱঁৰ পৰা সকলো লুটি-পুটি চহৰলৈ লৈ আনিবলৈ এইখন চৰকাৰেই আজি ৩০ বছৰে ৰাইজক তাকে শিকালে । এই ক্ষেত্ৰত মই আজি কেৱল মন্ত্ৰীকেই জগৰীয়া কৰিব খোজা নাই যি সকল চৰকাৰী উচ্চ পদস্থ বিষয়া যি সকলে মন্ত্ৰীৰ লগত থাকি সকলো দিশতে চৰকাৰক মন্ত্ৰনা দি আছে আৰু যি সকল বিষয়া নিজৰ নিজৰ দায়িত্বত আছিল আৰু দায়িত্ব থকা মতে দায়িত্ব পালন কৰিব পৰা নাই সেই সকলোকে সমানে জগৰীয়া কৰিম । কিন্তু তাকে নকৰি যদি ঠিক মতে আৰু ন্যায় সঙ্গত ভাবে যদি ৰাইজৰ বিভিন্ন স্তৰৰ মানুহক পিয়ন চকিদাৰেই হওক বা চাপৰাচি হওক বা যি কোনো

নিম্ন স্তৰৰ চাকৰিয়াল হওক এই আটাইকে সেই তেতিয়াৰ পৰাই যদি সময়োপযোগী আৰু আৱশ্যকীয় দৰ্ম হা ভাট্টাৰে সন্তুষ্ট কৰি ৰাখিলেহেতেন তেতিয়া হলে আজি এই অৱস্থাত উপনীত নহ'লহেতেন। আজি এই চৰকাৰেই যোৱা ৩০ বছৰে আমাৰ দেশৰ ধনী সকলক আৰু ধনী হবলৈ আক্ৰোশ বঢ়ালে আৰু তেওঁলোকৰ মনোবৃত্তি পৰিবৰ্তন কৰিবলৈ শিকালে আৰু তেওঁলোকৰ ধন দুখীয়াৰ কল্যাণৰ কাৰণে ধন ত্যাগ কৰিবলৈ আৰু দুখীয়াৰ প্ৰতি কোনো পুতৌ জন্মাব নোৱাৰিলে বৰং তেওঁলোকৰ ধনৰ প্ৰতি লোভ বৃদ্ধি কৰালে। সেয়েহে স্বৰাজৰ আগত বিৰলাৰ মাত্ৰ ২৫ কোটি টকা কেপিটেল আজি এই চৰকাৰৰ দিনতেই বিৰলাই ৮২৫ কোটি টকালৈ বৃদ্ধি কৰিলে আৰু টাটাৰ স্বৰাজৰ আগতে মাত্ৰ ৩৫ কোটি টকা আছিল আৰু আজি তেওঁৰ কেপিটেল হ'ল ১১০০ কোটি টকা, এই দৰে এই পুঁজীপতি সকলক এই চৰকাৰেই আৰু অধিক শক্তিশালী কৰিলে আৰু চৰকাৰেই ইয়াৰ বাবে আচামী হ'ব। এই পুঁজীপতি সকলৰ লগত আমাৰ মন্ত্ৰী নেতা সকল আৰু উচ্চ পদস্থ কৰ্মচাৰী সকল বিক্ৰী হৈ গ'ল, কিন্তু আজি এই অৰ্থনীতিৰ অধোগতিৰ কাৰণে আমাৰ পিয়ন চাপৰাচি বা দুখীয়া খেতিয়ক আৰু ড্ৰাইভাৰ হেন্দীমেনৰ দায়িত্ব আছিল নে? যি সকল এম, এল, এ, এম, পি, মন্ত্ৰী আৰু উচ্চপদস্থ কৰ্মচাৰী সেইসকলেই আজি এই দেশখনক অধোগামীৰ পৰা ৰক্ষা কৰা দায়িত্বত নাছিল জানো? কিন্তু এই দায়িত্বত থকা সকলে তেওঁলোকৰ দায়িত্ব পালন কৰিলে জানো? এই হ'ল আমাৰ ৰাজ্যখনৰ, এই হ'ল আমাৰ দেশখনৰ সংস্কৃতি যাৰ দ্বাৰা আমাৰ দেশখন গঠন কৰিলে। ৰাম নাম লৈ আজি মহাত্মা গান্ধীৰ নামত কোশল কোঁৱৰৰ নামত ভোট বিচাৰি এম, এল, এ মন্ত্ৰী হ'ল, শাসনত অধিষ্ঠিত হ'ল কিন্তু আজি কৰবাত জানো মহাত্মা গান্ধীৰ আদৰ্শ ৰক্ষা কৰিলে? কৰবাত জানো প্ৰকৃত ৰাম নাম ললে? তাৰ ঠাইত আজি কি হৈছে যি কোঁশল কোৱঁৰৰ নামত ভোট বিচাৰি গৈছিল সেই কোশল কোঁৱৰৰ পুতেকৰ অৱস্থালৈ জানো ভ্ৰূক্ষেপ কৰিছে? যি কুশল কোঁৱৰে ৰাজ্যখনৰ স্বৰাজৰ কাৰণে নিজৰ জীৱন পৰ্যন্ত বলিদান দিছিল সেই কুশল কোঁৱৰৰ অবিহনে তেখেতৰ পৰিয়ালৰ দায়িত্ব জানো এই চৰকাৰে লব পাৰিছে? এই শৰৎ সিংহৰ চৰকাৰে কুশলৰ পুতেক এজনক গুৱাহাটীত দুকঠা মাটি সংস্থাপন দিব নোৱাৰিলে তাৰ পৰিবৰ্তে এজন লবাক ডকাইতি কেচত জেইলত

থলে। কিন্তু এইলোক সকলৰ নামতে কংগ্ৰেছ চৰকাৰে শাসনৰ গাদীত বহি নানা ভাবে কিছুমান সুবিধা লবলৈ সক্ষম হল। যি সকল নেতাই দেশৰ স্বৰাজৰ আন্দোলনত যোগ দি দেশৰ স্বৰাজ আনিলে সেই পুৰণা নেতৃত্ব লোৱা লোক সকলক আজি দেশদ্ৰোহী বুলি পৰিগনিত কৰি নানা ভাবে অত্যাচাৰ উৎপীড়ন কৰিলে আৰু নতুনকৈ যি সকলে মহাত্মা গান্ধীৰ নামত ভোট বিচাৰি শাসনৰ গাদীত বহিলে সেই সকলেহে আজি দেশৰ নেতৃত্ব লোৱা লোক হ'ল আৰু তেওঁলোকেই দেশৰ নেতা হৈ পৰিল। কিন্তু আগৰ সেই সকলৰ লৰা-ছোৱালী নাতি পুতিয়ে কেনে দৰে জীয়াতু ভোগী আছে সেই সকলৰ প্ৰতি এই চৰকাৰৰ কানসাৰ নাই। এই নতুন নেতা সকলে প্ৰধান মন্ত্ৰীৰ ওচৰলৈ এৰোপ্লেনত অহা যোৱা কৰি কেনেকৈ তেখেতৰ পুতেক সঞ্জয় গান্ধীৰ সান্নিধ্যত আহিব পাৰে সেই লৈ প্ৰতিযোগিতা চলিল। অথচ এই জন সঞ্জয় গান্ধীয়েই বিদেশত আচামী বুলি জনাজাত। ইংলেণ্ডত তেওঁৰ বিৰুদ্ধে এতিয়াও ক্ৰিমিনেল কেচ চলি আছে আৰু উত্তৰ প্ৰদেশৰ মুখ্য মন্ত্ৰীয়ে তেওঁৰ ভৰিত জোতা পিন্ধোৱা ছবি বজাৰত বিক্ৰী কৰি নিৰ্ব্বাচনত প্ৰচাৰ কৰিলে। এই জন সঞ্জয় গান্ধীয়েই ভাৰতলৈ আহি সঞ্জীৱৰ ঠাইত সঞ্জয় কৰি নিজৰ নামতো সলাই ইয়াত আহি জননেতা হৈ পৰিল আৰু এনে এজন আচামী আহিলে আমাৰ মুখ্যমন্ত্ৰী থিয় হয় অকল সেয়েই নে কংগ্ৰেছৰ মুধা ফোটা নেতা শ্ৰীদেৱ বৰুৱাই তেওঁক স্বামী বিবেকানন্দ, বুদ্ধদেৱ আৰু শংকৰাচাৰ্য বুলি আখ্যা দিয়ে। বাৰোকৈয়ে অসমত যে তেওঁক শংকৰ মাধৱ বুলি নকলে; ৰক্ষা!

উপাধ্যক্ষ :— আপুনি ৫৫ মিনিট সময় কলে, আপুনি শেষ কৰক।

শ্ৰীসোনেশ্বৰ বৰা :— উপাধ্যক্ষ মহোদয়, মোক আৰু অলপ সময় কবলৈ দিয়ক কিয়নো পৰিস্থিতি বৰ ডাঙৰ গতিকে এই বিষয়ে বহলাই আলোচনা কৰাটো অত্যন্ত আৱশ্যক হৈ পৰিছে। এই পৰিবেশ যেতিয়া আমাৰ মাজলৈ অত্যন্ত জটিল হৈ আহিছে আমাৰ চৰকাৰৰ ফালৰ পৰা এই সমস্যাৰ সমাধান অনতি-পলমে কৰিব নোৱাৰিলে অহা ১৭।১৮ তাৰিখৰ ভিতৰত সমগ্ৰ ৰাজ্য জুৰি আন্দোলন হ'ব বুলি জনা গৈছে।

হয়তো চৰকাৰে ভাবিছে যে বিৰোধী দলৰ লোক সকলে এই

চৰকাৰ অচল কৰিবৰ কাৰণেই বা ভাঙি দিবৰ কাৰণেই, শৰৎ সিংহক ভাঙি দিবৰ কাৰণেই এই ৰাজ্যিক কৰ্ম্মচাৰী সকলক উচতনি দিছে। কিন্তু আমি এইটো কৰা নাই। কৰ্ম্মচাৰী সকলৰ নাৰ্য্য দাবী কৰিবৰ অধিকাৰ আছে। কৰ্মচাৰী সকলৰ যিটো যিটো প্ৰাপ্য তেখেতসকলে পাব লাগে, তাৰে বাবে দাবী কৰাৰ অধিকাৰ তেখেতলোকৰ আছে। গতিকে চৰকাৰে বাজেটত বিশেষ ব্যৱস্থা কৰি হলেও তেখেতলোকক এই টকা দিব লাগিব। কেৰাহীকৈ চাই গুচি গলেই নহব। এইটো কৰ্ম্মচাৰী সকলৰ স্বতঃস্ফুৰ্ত্ত দাবী। যি সকল কৰ্মচাৰী আজি লাঞ্ছিত, বঞ্চিত, যি সকলে নিজৰ লৰা তিৰোতাক পোহ-পাল দিব লগা হৈছে তেখেতলোকৰ পৰা কাম আদায় কৰা হৈছে, কিন্তু প্ৰাপ্য টকা দিয়া হোৱা নাই, এইটো তেখেতসকলৰ মানৱতাৰ দাবী। গতিকে চৰকাৰে তেখেতসকলৰ এই দাবী পূৰণ যি কোনো উপায়ে কৰিবই লাগিব। এই কৰ্মচাৰী সকলৰ দাবী পূৰণ নকৰিলে আন্দোলন হব, ধৰ্মঘট হব, ব্যাপক ভাবে আৰু কিবা আৰু বহুতো হব, শৰৎ সিংহ আতঁৰি যাব লাগিব আৰু বহুতৰে দিগদাৰী হব আৰু অসমত এনে বহুতো পৰিস্থিতিৰ উদভব হব, নানা ৰকমৰ বিশৃঙ্খলতাৰ সৃষ্টি হব, নিয়োগৰ ক্ষেত্ৰত কৃষিৰ ক্ষেত্ৰত, শিল্পৰ ক্ষেত্ৰত বাণিজ্যৰ ক্ষেত্ৰত নানা ৰকমৰ বেমেজালীয়ে দেখা দিব। গতিকে এখন দেশ চলাবলৈ যিমান বিলাক ব্যৱস্থা থাকিব লাগে সেই ব্যৱস্থা সকলো বিভাগতে থাকিব লাগে। সকলো বিভাগৰ প্ৰতি দৃষ্টি ৰাখিব লাগে কাৰণ সকলো বিভাগৰ পৰাই বিপদ বিপৰ্যয় হোৱাৰ সম্ভাৱনা আছে। গতিকে এই কৰ্মচাৰী সকলৰ বিশ্বাস চৰকাৰে ৰাখিব লাগে। ৰাইজক পৰি-কল্পনা, নিৰ্ম্মান মূলক আচনি আদি কৰি আগবঢ়াই নিব পাৰৰ লাগিছিল, কিন্তু আজি আমাৰ চৰকাৰে এইটো পৰা নাই। এই চৰকাৰৰ এদিন বিচাৰ হব, কোনো সাৰি যাব নোৱাৰিব। জনসাধাৰণ আৰু কৰ্মচাৰীৰ মাজত বিক্ষোভৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। এই বিক্ষোভৰ পৰা জনসাধা-ৰণক আতঁৰ কৰি আনিব পাৰিব আমাৰ এই চৰকাৰে। গতিকে মই আশা কৰিছো আৰু এই প্ৰস্তাৱটো বিধানসভাত উৎথাপন কৰিছো আৰু আশা কৰো সকলো ক্ষালৰ পৰা চালিজাৰি চাই আমাৰ চৰকাৰে নিজৰ কৰ্ত্তব্য পালন কৰিব লাগিব। মহাত্মাগান্ধীয়ে কৈছিল যে, "নিজৰ ভৰিৰ ওপৰত নিজে ঠিয় হোৱা। আমি প্ৰত্যেকেই আমাৰ নিজৰ ভৰিৰ ওপৰত ঠিয় হব

পাৰিব লাগিব। ইমানকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

*শ্ৰীনগেন বৰুৱা:— উপাধ্যক্ষ মহোদয়, আজি বৰ্ত্তমান সময়ত যিটো প্ৰস্তাৱ আলোচনা কৰা হৈছে এইটো সময়োপযোগী হৈছে। চৰকাৰে সদনত প্ৰতি-য়মান নিয়াব খুজিছে আৰু তাৰ বাবে আজি এই পৰিস্থিতিৰ সৃষ্টি হৈছে। আজি দেশখনে যি অৱস্থাৰ সন্মুখীন হৈছে সেইটো সৰুসুৰা সমস্যা নহয় আৰু উলাই কৰা সময়ো নহয়। ৰাজ্যিক কৰ্ম্মচাৰী সকলে মৰগীয়া বানচৰ বাবে যি দাবী তুলিছে তাত আমাৰ অসমৰ অন্যান্য কৰ্ম্মচাৰী সকলো আছে। আৰু এই দাবীত চৰকাৰৰ সাহাৰ্য্যপ্ৰাপ্ত হাইস্কুলৰ স্কুল কলেজৰ শিক্ষক শিক্ষয়ত্ৰী সকলেও যোগদান কৰিছে। আৰু যিবিলাক বেচৰকাৰী অনুস্থান বা যিবিলাক কৰ্মচাৰী আছে সেই সকলৰ দাবী বিলাকো চৰকাৰে কোনো গুৰুত্ব দিয়া নাই। আনকি আমাৰ ৰাজ্যিক পৰ্য্যায়ৰ কৰ্ম্মচাৰী সকলে জিলা পৰ্য্যায়ত আৰু সচিবালয় পৰ্য্যায়ত যি সকল কৰ্ম্মচাৰী আছে সেই সকলৰ দাবী সমূহ পূৰণ কৰিবৰ বাবেই এই প্ৰস্তাৱ অনা হৈছে। আৰু এই প্ৰস্তাৱটো উৎস্থাপন কৰাত তেওঁলোকৰ যুক্তি যুক্তত আছে। গতিকে এই কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দাবী সন্দৰ্ভত যোৱা ৫ তাৰিখে এটা দাবী দিবস পালন কৰিছে আৰু চৰকাৰক তেওঁলোকৰ বিভিন্ন সন্থাই তেওঁলোকৰ দাবী বিলাক অবগত কৰিছে। কিন্তু চৰকাৰে এই সকলো বিলাক কথা শুনিও বহি আছে। আৰু বিধান সভাও চলি আছে। মুখ্য মন্ত্ৰীয়ে কৈছে যে এই মৰগীয়া বানচ দিবৰ বাবে ৰাজ্যিক চৰকাৰৰ হাতত পুজি নাই। গতিকে ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ এই দাবী ন্যায্য আৰু যুক্তি যুক্ততাৰ ওপৰত হলেও সেইটো তেখেতে গ্ৰহণ কৰিব নোৱাৰে। সেইখিনি মানৱতাৰ কাৰণে এই চৰকাৰ সমূলি নাই। এই চৰকাৰে ৰাজ্যিক কৰ্ম্মচাৰী সকলক যিখিনি মৰগীয়া বানচ দিবলৈ বাকী আছে সেইখিনি দিলে ৰাইজৰ যিবিলাক উন্নয়ন মুলক আচনি আছে আৰু সেই আচনি বিলাকৰ খণ্ডানত যি টকা ধৰা হৈছে সেই আচনিৰ পৰা টকা আনি বিতৰণ কৰিব লাগিব বুলি মন্ত্ৰী মহোদয়ে কৈছে এইটো একেবাৰে অসত্য কথা। মই মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে ১৯৭৪ চনৰ পে কমিটিৰ যিটো ৰিকোমণ্ডেচন ৩০

*Speech not corrected

মাৰ্চ তাৰিখে গ্ৰহণ কৰিছিল সেইটো বিধান সভাত ১৯৭৫ চনৰ ফেব্ৰুৱাৰী মাহত এই ৰিকোমেণ্ডেচন গ্ৰহণ কৰিছিল আৰু ৰিভিজন অবপেস্কেল ঘোষণা কৰিছিল। আৰু ৰিভিজনৰ যিটো মৰগীয়া বানচ সেইটো দিব বুলি ঘোষণা কৰিছিল। গতিকে বিধান সভাৰ মজিয়াত ঘোষণা কৰাৰ পিছত এতিয়া অৰ্থনৈতিক দুৰবস্থাৰ পৰিপ্ৰেক্ষিতত দিব নোৱাৰা বুলি ক'লে কথাটো কেনে হব। ১৯৭৫ চনতে দেশত যিবিলাক উন্নয়নমূলক কাম কৰা হৈছিল সেই বিলাক কামত এই টকা খৰছ হোৱা নাই। গতিকে এই প্ৰস্তাৱটো আজি সময় সাপেক্ষে কৰা হৈছে। আমাৰ ৰাজ্যিক কৰ্ম্মচাৰী সকলে আৰু অন্যান্য ঠাইৰ কৰ্ম্মচাৰী সকলে যি দাবী কৰিছিল সেইটো অৰ্থনৈতিক ভিত্তিত আছিল। আৰু আমাৰ চৰকাৰে ৰাজনৈতিক দৃষ্টি কোণৰ পৰা সেই দাবী নাইকীয়া কৰিবৰ কাৰণে আৰু কেন্দ্ৰীয় চৰকাৰক সুৰক্ষিত কৰিবৰ কাৰণে আৰু প্ৰদেশ সমূহত চৰকাৰ বিলাকৰ চলি থকা দুৰনীতি ঢাকিবৰ কাৰণে, সংৰক্ষিত কৰিবৰ কাৰণে জৰুৰী অৱস্থা ঘোষণা কৰা হৈছিল। এই জৰুৰী অৱস্থাৰ কাৰণেই জনসাধাৰণৰ দাবী বাইজৰ দাবী কৰ্ম্মচাৰী সকলৰ দাবী এই চৰকাৰে ভৰিৰে মোহাৰী পেলাই থৈ দিছে। আপোনালোকে নিজৰ গাদী ক্ষমতা ৰাখিবৰ বাবে আৰু অন্যান্য নানা সুবিধা লবৰ কাৰণে জৰুৰী অৱস্থা ঘোষণা কৰিছিল আৰু এই জৰুৰী অৱস্থাৰ কালতেই নানা ৰকম উন্নয়নমূলক কাম কৰা হব বুলি ঢোল পিতি শুনাই দিয়া হ'ল। আৰু সেইবিলাক উন্নয়নমূলক আচনিৰ কথা ৰেডিও বাতৰি কাকত আদিত প্ৰচাৰ কৰা হ'ল। কিন্তু দেখা গ'ল এই প্ৰচাৰৰ দ্বাৰা আমাৰ সৰ্ব্বসাধাৰণ ৰাইজৰ বিশেষ কোনো উন্নতি নহল। মাথোন কিছু সংখ্যক লোকৰ ব্যক্তিগত পুজিৰ ব্যৱস্থাহে হ'ল।

অধ্যক্ষ মহোদয়, আমাৰ কৃষক সকলৰ, আমাৰ কৰ্ম্মচাৰীসকলৰ আৰু অন্যান্য স্তৰৰ লোকসকলৰ নানান ৰকমৰ দাবী আছিল আৰু সেই দাবী বিলাকৰ বহুভাগেই অৰ্থনৈতিক দিশত আছিল কিন্তু চৰকাৰে সেইখিনি সময়ত ৰাজনৈতিক দৃষ্টি কোণেৰে সেই দাবী বিলাক নাইকীয়া কৰিবৰ কাৰণে প্ৰাদেশিক চৰকাৰে নেতৃত্বৰ কাৰণে যি জৰুৰী অৱস্থা ঘোষণা কৰিলে সেই সময়ত সকলো বিলাক ন্যায্য কথা দলিয়াই পেলাই তেওঁলোকে ৰাইজৰ যি বিলাক উচিত দাবী, কৰ্ম্মচাৰী'সকলৰ যিবিলাক উচিত দাবী সেই বিলাক ভৰিৰে মোহাৰি দলিয়াই পেলাই থৈ দিলে। জৰুৰী অৱস্থাত সেইবিলাক

দলিয়াই পেলাই ব্যক্তিগত দল আৰু মানুহৰ গাদী আৰু ক্ষমতাৰ কাৰণে আৰু অন্যান্য ৰকমৰ সা-সুবিধাৰ কাৰণে জৰুৰী অৱস্থা ব্যৱহাৰ কৰিলে। আচলতে জৰুৰী অৱস্থাত উন্নয়মূলক কামৰ ঢোল পিতি ৰেডিঅ', বাতৰি কাকত আৰু তেওঁলোকৰ আটাইবিলাক প্ৰচাৰ যন্ত্ৰৰ যোগেদি প্ৰচাৰ কাৰ্য্য চলোৱা হ'ল কিন্তু উন্নয়নমূলক কামৰ নামত নিজৰ দলৰ ক্ষমতা আৰু ব্যক্তি-পূজাৰ ব্যৱস্থা চলিছিল। এই ব্যৱস্থা কৰিবলৈ যাওঁতে জনসাধাৰণৰ আচল কথা, কৰ্মচাৰী সকলক দিয়া প্ৰতিশ্ৰুতিৰ কথা, বিধান সভাদ দিয়া প্ৰতিশ্ৰুতি, কোৱা কথা সমূহ সকলো তল পৰি গ'ল। এটা দুটাকৈ চাৰিটা বছৰ পাৰ হ'ল। জৰুৰী অৱস্থা উঠি গ'ল। ৰাজনৈতিক পৰিবৰ্ত্তন ঘটিল। মানুহে নাগৰিক অধিকাৰ, মৌলিক অধিকাৰ ঘূৰাই পালে আৰু কৰ্ম্মচাৰী সকলেও মৌলিক অধিকাৰ ঘূৰাই পালে সেই কাৰণে এতিয়া তেওঁলোকে তেওঁলোকৰ নায্য প্ৰাপ্য উচিত দাবী উত্থাপন কৰিছে। এতিয়া এই সময়তো মুখ্যমন্ত্ৰী মহোদয়ে চক্ৰান্তকাৰী বিবৃতি দি কৈছে যে পইচা নাই। উন্নয়নমুখী কামৰ টকা দিব লাগিব। সেই উন্নয়নমূলক কামৰ টকা দিব লাগিব। কেন্দ্ৰীয় চৰকাৰে পইচা নিদিয়ে। আৰু তেখেতৰ বিবৃতিৰ সমৰ্থন জনাবলৈ ইণ্ডিয়ান এক্সপ্ৰেচ কাকতৰ স্বৰণসিং ডাঙৰীয়াৰ বিবৃতিৰ উদ্ধৃতি দি পতিয়ণ নিয়াবলৈ দলৰ লোকৰ দ্বাৰা বিধান সভাত সেই কাকতৰ টুকুৰা আনি পঢ়ি দিয়াৰ ব্যৱস্থাও কৰালে। সম্পুৰ্ণ কাকতো নহয়, ফাইলৰ মাজৰ পৰা আঠা লগাই থোৱা কাকতৰ অংশ বিশেষ পঢ়াই বিবৃতিৰ সমৰ্থনত পতিয়ণ নিয়াব বিচাৰিছে। নতুনকৈ প্ৰেচিডেণ্ট ৰুল হোৱা ঠাইত পে আৰু এলাউন্স গ্ৰহণ কৰাৰ কথা উল্লেখ কৰা হৈছিল এই কাটিংৰ যোগেদি। এইটো সম্পূৰ্ণ প্ৰাসঙ্গিক নাছিল। নিতান্ত অপ্ৰাসঙ্গিত ভাৱে ভাৰতৰ বিভিন্ন নখন ৰাজ্যৰ সন্দৰ্ভত বিবৃতি ইণ্ডিয়ান এক্সপ্ৰেচ কাকতৰ টুকুৰা এটাৰ পৰা পঢ়ি দিয়াৰ ব্যৱস্থা কৰা হৈছিল। কেন্দ্ৰত জনতা চৰকাৰ. জনতা চৰকাৰে টকা নিদিয়ে কেন্দ্ৰীয় চৰকাৰে টকা নিদিয়ে। অসম চৰকাৰৰ বাজেটৰ পৰা কেনেকে দিম, এইবিলাক কুটকৌশল কৰিছে মুখ্য মন্ত্ৰী ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইফালৰ টকা সিফালৈ নি বহুত কৰিব পাৰে তাৰ বহুত দৃষ্টান্ত আছে। যদি এই বাজেটখন এক্সপাৰ্টৰ দ্বাৰা পৰীক্ষা কৰোৱা হয় তেতিয়াহলে বাজেট যে প্ৰকৃতেতে সত্য নহয় সেই কথা ওলাই পৰিব। এই বাজেট সত্যৰ পৰা বহুত দূৰত

আছে। উদাহৰণস্বৰূপে কব খুজিছো যে যোৱা বিধান সভাৰ সময়ত কনচলিডেটেড ফাণ্ডৰ পৰা টকা লৈ এ-আই-চি-চিত খৰচ কৰিবলৈ পাচ কোটি টকা বিধান সভাৰ অনুমোদন সাপেক্ষে লৈছিল নগৰ উন্নয়ন আচনি আৰু গুৱাহাটীৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ কাৰণে! অতি আচৰিত কথা যে যদি অসম চৰকাৰে গোটেই হিচাব দিবলৈ বাধ্য হয় তেতিয়াহলে দেখিবলৈ পোৱা যাব যে এই জৰুৰী অৱস্থাৰ সময়ত বিশেষকৈ ১৯৭৫ চনৰ এই এ-আই-চি-চিৰ সময়ত গুৱাহাটী চহৰৰ সৌন্দৰ্য্যবৰ্দ্ধনৰ নামত যিমান টকা খৰচ কৰা হল সেইটো সাতাৱন্ন কোটি টকা। এইটো অসম চৰকাৰৰ বাজেটৰ পৰা খৰচ কৰা হৈছে। কিন্তু এই খিনি খৰচ কৰিবৰ কাৰণে আমাৰ সদনৰ অনুমোদন লোৱা হোৱা নাছিল। সদনত মাত্ৰ পাচ কোটি টকাৰহে অনুমোদন লোৱা হৈছিল। তেন্তে এই টকা খিনি কৰ পৰা আহিল? সেই কথা যদি ভাল ভাৱে বিচৰা হয়, ভালভাৱে তদন্ত কৰি চোৱা হয় তেতিয়াহলে দেখা যাব যে অৱস্থা কৰবাত আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাজেটৰ পৰা এইটো খৰচ কৰিছে। ইয়াৰ এটা সম্পুৰ্ণ বেলেগ ৰূপ দেখিবলৈ পাব। উদাহৰণ স্বৰূপে দুই এটা কথা কব বিচাৰিছো। যোৱা বাজেট আলোচনাত উত্থাপন কৰা হৈছিল যদিও মাত্ৰ দুই এটা শিতানৰ কথা উত্থাপন কৰিলেই কথাটো ভালদৰে বুজা যাব। এনুৱেল ষ্টেটমেণ্টৰ ১৯৭৪-৭৫ চনৰ এটা সাধাৰণ ৰিচিপ্ত পেজ ৪৫ত দেখুৱা হৈছে।

১৯৭৪ চনৰ ৰিচিপ্ত আছিল সাতসত্তৰ কোটি উনআশী লাখ দুই হাজাৰ ৰিচিপ্ত, ১৯৭৫ চনত সাত কোটি আছিল কিন্তু ১৯৭৬ চনত জৰুৰী অৱস্থাত এইটো এক কোটিৰো কম হল আৰু এই বছৰ দেখুৱাইছে মাত্ৰ ৭৫ হাজাৰ টকা। এইটো আচৰিত কথা। এইটো বিসঙ্গতিৰ দেখুৱাই দিব লাগে কি কৌশলেৰে কৰা হৈছে আমাক পৰিস্কাৰ ভাৱে কব লাগে। টকা কেনেকৈ চুৰ কৰা হৈছে, বাজেটত ব্যৱস্থা কৰি দিয়া টকা কেনেকৈ অনিয়মিতভাৱে খৰচ মিতাবলৈ উলিওৱা হৈছে এইটো কৌশল পৰিস্কাৰ কৰি দিব লাগে। পঞ্চায়তৰ শিতানত যোৱা বছৰত মাত্ৰ দুহাজাৰ টকা খৰচ দেখুৱাইছিল। কিন্তু ১৯৭৪-৭৫ চনত সাতাইশ কোটি টকা আৰু ১৯৭৬-৭৭ চনত এ-আই-চি-চি চেচনৰ সময়ত অতিৰিক্ত টকা খৰচ কৰা হল বাজেটৰ বিভিন্ন শিতানৰ পৰা ডাইভাৰ্ট কৰি। এই ডাইভাৰচন সম্বন্ধে

উন্নয়নমূলক কাম আছিল। বাজেটত অন্যান্য ৰকমে বিভিন্ন শিতানৰ বাবে খৰচ কৰাৰ উদ্দেশ্য লৈ কিন্তু সদনৰ অনুমোদন ব্যতিৰেকে সেই টকা ইফাল সিফাল কৰি এ-আই-চি-চি চেচনত খৰচ কৰিলে। এ-আই-চি-চি সংক্ৰান্তত ইমান বিলাক খেলিমেলি খৰচ কৰিছে যে কৈ থাকিয়েই আমাৰ আমনি লাগিছে। সেই বিলাক কথা যিমানেই আলোচনা নকৰো শেষ নহয়। এ-আই-চি-চিৰ সময়ত দিনে ছয়শ কৈ তিনি দিন ধৰি ষ্টেট গেষ্ট হিচাবে বিভিন্ন ঠাইৰ পৰা অহা প্ৰধান মন্ত্ৰী মুখ্যমন্ত্ৰী বা এম-এল-এ, এম-পি সকলক পুহিছিল। কিন্তু ষ্টেট গেষ্ট কৰিবলগীয়া হ'ল কিয় ? তেওঁবিলাক জানো দলৰ সভাৰ কাৰণে অহা নাছিল, নিজৰ সভাত যোগদান কৰিবলৈ অহা সত্বেও সেই সকলক অসমৰ টকাৰে ষ্টেট গেষ্ট হিচাবে খুৱাইছিল কংগ্ৰেছ পাৰ্টিৰ নিজৰ সভাত যোগান কৰিবলৈ আহোতে। আমাৰ ইয়াৰ পৰা অধ্যক্ষ মহোদয়, আপুনিও আৰু আন আন মন্ত্ৰীসকলো কেতিয়াও কাশ্মীৰলৈ গৈছিল বোধহয়, অন্যান্য ষ্টেটৰ পৰাও গৈছিল কিন্তু তাতো সকলোৱে নিজৰ খৰচতেই চলিছিল। তেনে ক্ষেত্ৰত এ-আই-চি চি চেচনৰ সময়ত অহা সকলক কি কাৰণ ষ্টেট গেষ্ট কৰা হৈছিল। সেই টকা ক'ৰ পৰা আহিছিল।

এ, আই, চি, চি চেচনৰ সময়ত কিয় ৬-৭ শ মানুহক ষ্টেট গেষ্ট হিচাবে খুওৱা হল ? এসাজত নিশ্চয় তিনি টকা হিচাবে খৰচ কৰা হোৱা নাছিল। কিমান টকা অপব্যয় কৰা হল তাৰ হিচাব মুখ্যমন্ত্ৰীয়ে দিয়ক। কংগ্ৰেচ সভাপতিৰ প্ৰচেচন কৰা হল। সঞ্জয় গান্ধীক এৰোপ্লেনেৰে ফুল চটিওৱা হল। এখন এৰোপ্লেন ওপৰলৈ উৰিবলৈ কিমান টকা লাগে ? কংগ্ৰেচ সভাপতিৰ কাৰণে নৌকা সজা হৈছিল। সাধাৰণতে গোসাই নৌকাত আহিলে দুৰ্যোগ আহে বুলি কয়। কংগ্ৰেচ সভাপতিক নৌকাত প্ৰচেচন কৰি অনা হৈছিল। সাধাৰণতে ব্ৰহ্মপুত্ৰত, পানীত নাও চলে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নাৱেৰে কংগ্ৰেচ সভাপতিৰ প্ৰচেচন বামত কৰিলে। হিম্মত সিংকা নামৰ স্কুটাৰ ডিলাৰ ব্যৱসায়ী জনে যাৰ অভিযোগ আছে তেওঁ চৰকাৰক দলটোক সন্তোষ্ট কৰিবৰ কাৰণে নৌকাৰ যাৱতীয় খৰচ বিলাক বহন কৰিছিল। সেই ধৰণে প্ৰশাসনৰ পৰা দুৰ্নীতি বিলাক গুচাবৰ কাৰণে চেষ্টা কৰা হৈছে। চৰকাৰে ৫৭ কোটিতকৈ অধিক টকা খৰচ কৰিছো আমি বাৰে বাৰে কৈ আছো মুখ্যমন্ত্ৰী ডাঙৰীয়ই কৈ দিয়ক তিনি কোটি নে পাচকোটি

নে কিমান টকা খৰচ কৰিলে। এটা তথ্য দাঙি ধৰক। বিধান সভাৰ পৰা কিমান টকা অনুমোদন লৈছিল আৰু কিমান টকা খৰচ কৰিলে তাৰ তথ্য দাঙি ধৰক। ১৯৭২ চনত বহা বিধান সভাত প্ৰতিশ্ৰুতি ঘোষণা কৰিছিল যে পে কমিচনে ৰিকমেণ্ডচন কৰা মতে টকা দিম। জৰুৰী অৱস্থাৰ সময় চোৱাত সেই দাবীৰ প্ৰতি মনোযোগ নিদি নিদি ৰাখি ৰাখি এই অৱস্থাত পেলাইছে। জৰুৰী অৱস্থা গল তেওঁলোকে সংঘবদ্ধ হৈ অধিকাৰ সাব্যস্ত কৰিছে। সেই খিনি সময়ত চৰকাৰে আবোল তাবোল কৰ ধৰিছে। উন্নয়নত খৰচ কৰিব লাগিব পুজিত টকা নাই। এ, আই, চি, চিত ৬০ হাজাৰ বান্দোল টিন কিনিছিল। সেই টিন কলৈ গল? পুলচ বিভাগে ত্ৰিপাল, তম্বু আদি কিনিছিল। ডি, পি, আই হেডৰ পৰা বাল্টি কটা চামুচ কাপ গিলাচ আদি কিনা হৈছিল। সেই বিলাক কলৈ গল? অকচন কৰা নাই। সেই বিলাক কাৰ ঘৰলৈ গল? পঞ্চায়ত শিতানত এই দুই বছৰত ২৭ হাজাৰ টকা খৰচ কৰা হৈছে। ইয়াৰ দ্বাৰা কি কাম কৰা হৈছে? পঞ্চায়ত লেভেলত পানীৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি? স্কুল আদিত খৰচ কৰা হৈছে নেকি? ১৯৭৫ চনত কিমান ৰিচিপ্ত আছিল, কিমান টকা খৰচ কৰা হল। যদি ভালকৈ চোৱা যায় তেন্তে দেখা যাব হিচাবৰ এটা সামঞ্জস্য আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই খৰচ বিলাক নীতি মতে কৰিবলৈ বিচাৰিছে। ৰাজ্যিক কৰ্মচাৰী সকলৰ নীতিগত দাবীটো কিয় পুৰণ কৰিব পৰা নাই। সেই সময়ত বস্তু বাহানিৰ দাম বাঢ়িছে, মিঠাতেলৰ দাম বাঢ়িছে। তেওঁলোকৰ সেই প্ৰাপ্য টকা খিনি দিবলৈ কিয় অসমৰ্থ হৈছে? ১৮ তাৰিখৰ পৰা ৰাজ্যিক কৰ্মচাৰী সকলে আগতে উল্লেখ কৰাৰ দৰে অন্যান্য কৰ্মচাৰী সকলৰ লগত ধৰ্ম্মঘটত নামিব। সেইখিনি সময়ত জনসাধাৰণৰ কি অৱস্থা হব! এদিন যেতিয়া যানবাহন বন্ধ হৈছিল, অফিচত কাম কৰা মানুহ নোহোৱা হৈছিল তেতিয়া কিমান অসুবিধা হৈছিল আৰু কিমান টকা লোকচান হৈছিল? সপ্তাহ জোৰা ধৰ্মঘট হলে সাধাৰণ মানুহ বিলাকৰ বিলৈ বিপত্তি নোহোৱা হব। লগতে আমাৰ দেশৰ কিমান টকা লোকচান হব সেই বিলাক চাব লাগে। মুখ্যমন্ত্ৰীয়ে বাজেটত ক'ত ক'ত কি কি টকা সোমাই আছে সেই বিলাক কথা চাব লাগে। তাৰ পিছত চৰকাৰৰ চেক্ৰেট ফাণ্ড এটা আছে। আমাৰ ইয়াত ১৯৬০ চনত গেডগিল হৈছিল,

১৯৬২ চনত চিনা আক্ৰমণ হৈছিল, ১৯৬৫ চনত পাকিস্তানৰ যুদ্ধ হৈছিল, ১৯৬৭ চনত খাদ্য আন্দোলন হৈছিল, ১৯৭১ চনত বাংলা দেশৰ যুদ্ধ হৈছিল। এই গণ্ডগোলৰ সময় চোৱাত যিমান টকা খৰচ কৰা হৈছিল তাতোকৈ বহু বেচি টকা জৰুৰী অৱস্থাৰ সময় চোৱাত খৰচ কৰিছে জৰুৰী অৱস্থাৰ সময়ত কি ইমান ডাঙৰ গণ্ডগোল হৈছিল যে ইমান বেচি টকা খৰচ কৰিব লগা হব ? নিৰ্ব্বাচনৰ সময়ত শিৱসাগৰ জিলাত নিৰ্ব্বাচন যন্ত্ৰত খৰচ কৰিবৰ কাৰণে দুই লাখতকৈ অধিক টকা খৰচ কৰা হৈছে। পুলিচ বিভাগৰ জৰিয়তে চেক্ৰেট চাৰ্ভিচ এক্সপেণ্ডিচাৰত ৬ লাখ ৬৮ হাজাৰ টকা খৰচ কৰা হৈছে। পুলিচ বিভাগৰ জৰিয়তে এচ, পিৰ হতুৱাই গোলাঘাট মহকুমাত খৰচ কৰা হৈছে। ডি, চি, ৰিটাৰ্নিং অফিচাৰ, পুলিচ ষ্টাফ, পুলিং এজেণ্ট সকলে খৰচ কৰিবৰ কাৰণে গোটেই জিলাত ২ লাখ ২০ হাজাৰ টকা খৰচ কৰা হৈছিল। এই বিলাক টকা উন্নয়নৰ কাৰণে, শান্তি শৃঙ্খলা ব্যাহত হোৱাৰ কাৰণে খৰচ কৰা হোৱা নাই দলীয় স্বাৰ্থত এই টকা খৰচ কৰা হৈছে।

এই টকাবিলাক কেনেকৈ খৰছ হৈছিল—মই কৈছো এইবিলাক উন্নয়নৰ নামত প্ৰকৃততে খৰছ কৰা নাই। সেইবিলাক টকা দলীয়া স্বাৰ্থ ৰক্ষা কৰিবলৈ অন্যান্য বে-আইনী কামত খৰছ কৰিছে। যিটো দলে বৰ্ত্তমান গাদীত আছে তেওঁলোকে গাদী ৰক্ষা কৰিবলৈ জনসাধাৰণৰ পৰা ভোট পাবলৈ আৰু ভোটৰ বাবে ব্যৱহাৰ কৰা মেচিনেৰী বিলাকৰ কাৰণে খৰছ কৰা হৈছে। মোৰ সমষ্টিত নিৰ্ব্বাচনৰ সময়ত ১৫ তাৰিখৰ দিনা দেখিছো গাওঁৰক্ষী বাহিনীৰ নামত গাৱেঁ গাৱেঁ সেৱাদল গঠণ কৰি কংগ্ৰেছৰ ভলণ্টিয়াৰ গঠণ কৰিছিল। কিন্তু আচৰিত কথা যে এই বিলাক বাহিনী কোনো নহয়—এছ, পি, দাৰোগা আদি খবৰ দিওঁতা সকলেই কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ ইন্দিৰা গান্ধীৰ পাছে পাছে এই সেৱাদল বাহিনী গঠন কৰিছিল। এইবিলাকত প্ৰত্যেক দিনেই ১৫ টকা হাজিৰা দি এইদৰে সেৱাদল গঠন কৰি ভলণ্টিয়াৰৰ কাম কৰাইছিল। পুলিছ বাহিনী নিয়োগ কৰি নিজৰ ক্ষমতা ৰাখিবৰ বাবে আৰু নিজে ভোট পাবৰ কাৰণে এনেদৰে চেক্ৰেট চাৰ্ভিচত টকা খৰছ কৰিছিল। তদুপৰি এ, আই, চি, চি'ৰ চেচনৰ সময়ত বহুতো পুল—কাৰ আছিল, সেইবিলাক এনেয়ে ৰ'দত শুকাই বৰষুণত তিতি আছিল। সেইবিলাকৰ পুল—কাৰ কংগ্ৰেছ দলৰ টকাৰে কিনা নাছিল। সেইবিলাক ৰাইজৰ টকাৰে কিনা হৈছিল-

সেই বিলাক এতিয়া এনেয়ে পৰি আছে । ইমানবিলাক গাড়ী থকা স্বত্বেও এ, আই, চি. চি.ৰ সমশ্বত নতুনকৈ ২১ খন গাড়ী কিনিছিল—সেই সকলো-বিলাক এতিয়া ভাগি আছে—যাৰ ফলত আজি ৰাইজে ঘাটি খাব লগীয়া অৱস্থা হৈছে । এই বিষয়ে তদন্ত কৰিলে কিমান টকা মাৰিলে সেই বিষয়ে গম পোৱা যাব ।

গতিকে এই ধৰণে যদি এটা শিতানৰ টকা দি আন এটা শিতানত খৰচ কৰিব পাৰে তেতিয়াহলে আমাৰ কৰ্ম্মচাৰী সকলক কিয় দিব নোৱাৰে? তেওঁলোক এ, আই, চি, চি ৰ ভলন্টিয়াৰ নাছিল । ডি, পি, আই, : চেক্ৰেটৰী, কমিচনাৰ অৱ প্লেইনচ্—হিলচ্ আদি কংগ্ৰেছ সেৱা দলত নাছিল । কিন্তু তেওঁলোকক কাম লগোৱা হৈছিল । গতিকে এইবিলাক এটা ক্ৰিমিকেল অপৰাধৰ কথা নহয় নে ?

অধ্যক্ষ ডাঙৰীয়া, আমাৰ চকুৰ আগতে সেইবিলাক কাম কৰিছিল। কিন্তু ইয়াৰ বাবে জৰুৰী কালিন অৱস্থা দি ৰাইজৰ মুখ বন্ধ কৰি ৰাখিছিল—ৰাতৰি কাকত আদিত কোনো কথা প্ৰকাশ হব পৰা নাছিল । এইবিলাক কথা বাটে-পথেও শুনিবলৈ পাইছিলো । আনকি এজন সামান্য বান্দৰ নচোৱা মানুহৰ মুখতো শুনিবলৈ পাইছিলো । সেই বান্দৰৰ নাচ কেইজনমান পুলিচেও চাইছিল । বান্দৰটোৱে এবাৰ ওপৰলৈ এবাৰ তললৈ এইদৰে উঠা নমা কৰি নাচন দেখুৱাইছিল—এইদৰে সেই মানুহজনে ১।৫ পইচা গোটাই জীৱন ধাৰণ কৰিছিল । কিন্তু বান্দৰটোৱে নাচি নাচি ভাগ'ৰ পৰাত তললৈ নানামি ওপৰতে বহি থাকিল—তাকে দেখি মানুহজনে কৈছিল' তুম ভী ইন্দিৰা গান্ধী হো গয়া' এই বুলি কোৱা কাৰণে পুলিচে বান্দৰ নচোৱা মানুহজনক জুৰজুলুম কৰিছিল আৰু নানা তৰ্ক-বিতৰ্ক কৰিব লগীয়া হৈছিল । আজি ৰাতিপুৱাৰ বাতৰি কাকতত সভাপতিৰ পদত্যাগ লৈ যি'টা কথা ওলাইছে—অধ্যক্ষ মহোদয়, আপুনি পাঢ় চালে আচৰিত হব—তাত এনেকুৱা কিছুমান শব্দ ব্যৱহাৰ কৰিছে যে সেইবিলাক মোৰ লৰাই পঢ়ি যদি মাকক ব্যাখ্যা কৰি দিব লগীয়া হয় তেন্তে কি পাব— ? সেইবিলাক জানো অপমানৰ কথা নহয় ?

মাননীয় অধ্যক্ষ ঃ— অপ্ৰাসঙ্গিক কথাবিলাক বাদ দি বিষয়টোৰ ওপৰত কওক।

শ্রীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, মই এই কাৰণেই কব লগীয়া হৈছোঁ যে চৰকাৰে বহুতো সময়ত নিজৰ কথাখিনিও কবলৈ সুবিধা নিদিছিল—আৰু ৰাজহৰ ধন কেনেকৈ খৰচ কৰিলে সেইবিলাক কথা কব লাগিব। এইবিলাক আপুনি অপ্ৰাসঙ্গিক বুলি কব পাৰে : কিন্তু অসম বাইজৰ কিমানৰ টকা অসম চৰকাৰে অসমৰ বিত্তীয় ব্যৱস্থাৰ কাৰণে এই শৰৎ চন্দ্ৰ মন্ত্ৰী সভাই খৰচ কৰি দেখুৱালে সেই খিনি কথা নিশ্চয় কব লাগিব। কিন্তু কবলৈ নিদিলে। ১৬ তাৰিখে শেষ হবলগীয়া বিধানসভাৰ আলোচনা ৩। তাৰিখেই বন্ধ ৰাখিব লগীয়া হৈ গল : কিন্তু আমি যুজ-বাগৰ কৰি ৯ তাৰিখলৈকে আলোচনা ব্যাহত ৰাখিলো। বানপানীৰ কথা ধুমুহাৰ কথা আদি আলোচনা কৰিব লাগিছিল—কিন্তু সুবিধাই দিয়া নাই। গতিকে এই আলোচ্য বিষয় বিলাকৰ অন্তৰালত যিবিলাক কথা লুকাই আছে সেইবিলাক কথা কবই লাগিব। আজি অসমত কোনো নতুন ৰাস্তা ঘাট হোৱা নাই। —জহৰ নগৰলৈ যোৱা ৰাস্তাৰ বাহিৰে কোনো ঠাইতেই ৰাস্তাঘাটৰ উন্নতি নহল। জহৰ নগৰলৈ যোৱা ৰাস্তাৰো এতিয়াই অৱস্থা কাহিল। স্কুলৰ কাৰণে মঞ্জুৰী দেখুৱাইছে। কিন্তু আজি দুবছৰ ধৰি কোনো এখন এল পি, স্কুলৰ কাৰণে টকা মঞ্জুৰী দিয়া নাই। অথচ ৰাজহৰ ধন কেনেকৈ অহৰহ খৰচ হৈ আছে। পুল কাৰৰ কাৰণে খৰচ কৰা কথা ইয়াত আছে। এই টকা কাৰ ফাণ্ডৰ পৰা আহিছে ? কংগ্ৰেছৰ ফাণ্ডৰ পৰা আহিছে নেকি ? এই সকলোবিলাক ৰাইজৰ টকা— গতিকে ইমান অধিক টকা কেনেকৈ খৰচ হল—ইয়াৰ এটা তদন্ত হব লাগে। এইবিলাক কথা আগৰ বিধানসভা বিলাকত কবলৈ দিয়া নাছিল। জৰুৰী কালিন অৱস্থা ঘোষণা কৰি ৰাইজক আলোচনাৰ পৰা জনসাধাৰণক ব্যক্তি স্বাধীনতাৰ পৰা বাঞ্চত কৰি ৰাখিছিল। আজি কৰ্ম্মচাৰী সকলৰ মৰগীয়া বানচৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেনেকৈ কব পাৰে—ৰাজ্যৰ উন্নয়নমূলক আচনিৰ পৰাহে টকা কাটি আনিহে দিব লাগিব বুলি ?

যোৱা তিনি চাৰ বছৰৰ ভোখেতৰ মন্ত্ৰসভাই ক'ত আৰু কোন জিলাত উন্নয়ণৰ কাম কৰিছে। আন ক সামান্য এটা বেজি সাজিবলৈকো তেখেতে এটা উদ্যোগ স্থাপিত কৰিব নোৱাৰিলে। শিলঘাটত যিটো উদ্যোগ আগতে কৰা হৈছিল—সেইটোও এতিয়া ধৰ্মগত চাল আছে। দ্বিতীয় এটা মৰাপটৰ কল স্থাপন কৰিব নোৱাৰিলে। চাৰি দুৱাৰত এটা উদ্যোগ

পাতিবলৈ ধৰা হৈছে—সেইটোও চৰকাৰৰ নহয়— বিৰলা কোম্পানীৰহে। এই ক্ষেত্ৰত সদায় টক-পইচা অভাৱৰ কথাকে কয়? গতিকে আজি অসম চৰকাৰৰ কৰ্ম্মচাৰী সকলৰ বাবে ৫ কোটিৰ ঠাইত ৫৭ কোটি টকা ক'ত খৰচ কৰিলে? স্বাধীন হোৱাৰ আগতে বৃটিচ চৰকাৰৰ দিনত অসমৰ কৰ্ম্মচাৰীৰ বাবে খৰচ কৰা হৈছিল শতকৰা—৩২ ভাগ, কিন্তু এতিয়া তাৰ ঠাইত চৰকাৰে খৰচ কৰিছে শতকৰা ১১'৩৮ ভাগ। যদিও আমাৰ চৰকাৰৰ ইমানখিনি কৰ্ম্মচাৰী আছে কৰ্ম্মচাৰী সকলৰ কাৰণে আমাৰ বাজেটৰ পৰা মাত্ৰ শতকৰা ১১'৩৮ ভাগহে খৰচ কৰে। কিন্তু অন্যান্য ৰাজ্যত ইয়াতকৈ অনেকৰূপে বেছি টকা খৰচ কৰে। এইবিলাক কথা ভালকৈ আলোচনা কৰিলে আমাৰ চৰকাৰে আচনিৰ আচৰিত কথাবিলাক কয় তেওঁ লোকক কি কাৰণত টকা দিব—তেওঁলোকক দিবলৈ বাজেটত টকা নাই ইত্যাদি কথা কয়। আজিলৈকে কেন্দ্ৰীয় চৰকাৰক এটা সুন্দৰ হিচাব দেখুৱাব পৰা নাই— য'ত উদাহীন ভাবে খৰচ কৰিছে সেইবিলাক একেবাৰে নেদেখুৱায়।

কিন্তু কৰ্ম্মচাৰী সকলৰ কাৰনে প্ৰতি বছৰে এই যে বাজেটত টকা ধৰা হৈছে ১৯৭৪ চনৰ পৰা ১৯৭৬ চনলৈ এই টকাবিলাক ক'লৈ গ'ল? এই টকাবিলাকতো জমা থাকিব লাগিছিল কিন্তু জমাতো নাই। এইবিলাকতো বাজেটত দেখুৱা খৰছ। এইটো এটা অপৰাধ আৰু এই অপৰাধৰ কাৰনে কৰ্ম্মচাৰী সকল বঞ্চিত হব লগা হৈছে। এই টকা ৰাইজৰ টকা। বিধান সভাত ৰাইজৰ তৰফৰ পৰা ১১৪জন প্ৰতিনিধি আছে, এই বিধান সভাত ইয়াৰ এটা স্পষ্ট হিচাব দিলে তাক ৰাইজে পাব আৰু কৰ্ম্মচাৰী সকলেও পাব। আজি ২-৩ বছৰে এই টকা কৰ্ম্মচাৰী সকলক দিয়া হলে আজি অশান্তি নহয়। তেওঁলোকে আজি বস্তুৰ দাম যিমান বাঢ়িছে সেই হিচাবে আৰু দৰ্ম্মহা কমিটি বিছাৰিব লাগিছিল কিন্তু বিছৰা নাই বিছাৰিছে মাত্ৰ পুৰনা কমিটিৰ ১৯৬৯ চনৰে অনুমোদিত বানচ। আজি অত বছৰে সেইখিনি দিব নোৱাৰিলে আৰু কৈছে যে অহা বছৰৰ বাজেটৰ পৰা দিব। কৰ্ম্মচাৰী সকল শিক্ষা দীক্ষা থকা মানুহ কিন্তু ব্যক্তিগত অৱস্থাৰ বাধ্যত পৰি তেওঁলোকৰ ন্যায্য দাবী উৎথাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে বিধান সভাত এই কথা দিম বুলি ঘোষণা কৰাৰ পাচত নিদিয়াত আস্থা হেৰাইছে অৱশ্যে আজি আৰু আমি আস্থাভংগ প্ৰস্তাৱ আলোচনা কৰিবলৈ যোৱা নাই। অতি সোনকালে তেওঁ

লোকৰ নাৰ্য্য প্ৰাপ্য দিব লাগে । এদিনৰ ধৰ্ম্মঘটতে ৰাইজৰ বৰ লোকচান হয় তাতে যদি আকৌ সপ্তাহজোৰা ধৰ্ম্মঘট হয় তেনেহলে আৰু লোকচান হব । ধৰ্ম্মঘট কৰিলে দৰ্ম্মহা কাতিম বুলি কব পাৰে কিন্তু কলেইটো নহব তেওঁলোকে ট্ৰেড ইউনিয়ন আইনমতে ধৰ্ম্মঘট কৰিব পাৰে গতিকে দৰ্ম্মহা নিদিয়াকৈ থাকিব নোৱাৰে । গতিকে ধমকি দি বা বাহাদুৰি মাৰি সাৰাৰ উপায় নাই । তেওঁলোকৰ সাংবিধানিক অধিকাৰ আছে । গতিকে এতিয়াও সময় আছে ১৮ তাৰিখলৈ এই ১৮ তাৰিখৰ আগতে ইয়াৰ এটা মিমাংসা কৰিব লাগে আৰু সেই কাৰনে আমি এইটো বিশেষ প্ৰস্তাৱ আলোচনাৰ বাবে আনিছো । এনেই যি বিত্তীয় অৱস্থা সেই অৱস্থাত যদি তেওঁলোকে আকৌ ধৰ্ম্মঘট চলাই যায় তেনেহলে এটা অচল অৱস্থাৰ সৃষ্টি হব । আন ফালে প্ৰশাসনত ব্যাঘাট জন্মিব কাৰন যি কোনো সংঘবদ্ধ শক্তি লগ হৈ কিবা এটাত নামিলে তেওঁলোকৰ সেই শক্তিৰ পাৰপ্ৰেক্ষতত কিছুমান নহব লগীয়া ঘটনাও ঘটিব পাৰে । সেহ কাৰনে সময় থাকোতেই আমাৰ যি ৰাইজৰ নিৰ্ব্বাচিত চৰকাৰ, নিৰ্ব্বাচনৰ সময়ত সৰ্ব্বসাধাৰন ৰাইজৰ প্ৰতি লক্ষ্য কাৰিম বুলি আহিছো সেই হিচাবে অতি সোনকালে ভাৰ এটা মিমাংসা কৰিব লাগে । নহলে কৰ্ম্মচাৰী তথা ৰাইজৰ মাজত জগৰীয়া হব লাগিব আৰু সেই জগৰীয়া হব মুখ্য মন্ত্ৰী নিজে । মুখ্য মন্ত্ৰীয়ে হয়তো কব যে কেন্দ্ৰীয় চৰকাৰে এতিয়া টকা নিদিয়ে যিহেতু জনতা পাৰ্টিৰ চৰকাৰ হৈছে, ইন্দিৰা গান্ধী থকা হলে দিব পাৰিলেহেতেন । কিন্তু জনতাপাৰ্টিৰ চৰকাৰে সেই মনোভাব লোৱা নাই । আমাৰ ইয়াত যি সকল কংগ্ৰেচৰ এতিয়াও খেমা ধৰি আছে সিদিনা এজন ৰাজনীতিবিদে এখন পেপাৰকাটিংও পাঢ় দিছে গৃহ মন্ত্ৰী চৰন সিংৰ কথালৈ যে কংগ্ৰেচ চৰকাৰ থাকিলে টকা নিদায় এইবিলাক মিছা নিতো ক্ষেত্ৰা লগা কথাৰ বাহিৰে অন্য একো নহয় । আজি ৰাইজ বাতৰি কাকত পঢ়িব পাৰে, ৰেডিও সদায় শুনে গতিকে আজি ৰাইজৰ বিচাৰ কৰিব পৰা ক্ষমতা আছে মুখ্যমন্ত্ৰীৰ কথাই সচা বুলি ভবা মানুহ আজি আৰু নাই । জৰুৰীকালীন অৱস্থা চলি থকা কাৰনে তেওঁলোকে তেওঁলোকৰ দাবী উৎ-থাপন কৰিব পৰা নাছিল । এতিয়া সময় হৈছে সেই কাৰনে বিধান সভা চলি থকা কাৰনে এই প্ৰস্তাৱটো উংথাপন কৰা হৈছে যাতে যিটো পাৰস্থিতি হৈছে সেইটো আলোচনাৰ মাজেদি নিৰাময় কৰিব পৰা যায় । এইটো নহয়

যে ৰাজ্যিক কৰ্মচাৰী সকলক কোনোবাই উচতাই দিছে তেওঁলোকে দাবীৰ সন্দৰ্ভত তহে মাত মাতিছে আৰু ৰাইজৰ প্ৰতিনিধি হিচাবে তেখেত সকলৰ প্ৰতি সমৰ্থন জনোৱাটো আমাৰ নৈতিক কৰ্ত্তব্য। উচতনি দিয়াৰ কথা নহয়। আমাৰ মুখ্য মন্ত্ৰী মহোদয় আজি ৬ বছৰ বিত্ত বিভাগৰ দায়ীত্বত থাকিলে এই ৬ বছৰৰ ভিতৰত কি কৰিলে।

